**মহিলাৰ মৃত্যু, সন্ধানহীন হ'ল যুৱতী**

**ই-সংবাদ, ১ ডিচেম্বৰঃ** গুৱাহাটী মহানগৰীত অব্যাহত আছে একাধিক উদ্বেগজনক ঘটনা। ৪ পৃষ্ঠাত চাওক



www.newsnextone.com

# ই সংবাদ



Sacn to Donate
NEWSNEXTONE.COM



MONDAY, DECEMBER 2, 2024 ■ সোমবাৰ, ১৬ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২৯ Guwahati, Assam ।। মূল্যঃ এটকা


## আজিও কিয় এলাগী হৈ ৰৈছে চ্যুকাফাৰ বিশেষ মৈদাম?

■ অভিজিৎ ভূঞা


**অসমীয়া জাতিৰ** স্বপ্নদ্ৰষ্টা চাওলুং চ্যুকাফা সৌমাৰপীঠত প্ৰৱেশ কৰিছিল ১২২৮ খ্ৰীষ্টাব্দত। অসমীয়া লেখেৰে আঘোণ মাহৰ ১৬ তাৰিখ আছিল সেইটো দিন। চাওলুং চ্যুকাফা সৌমাৰপীঠলৈ আগমনৰ সেই দিনটোক সোঁৱৰণ কৰি ৰাজ্যজুৰি শেষাংশ ২ পৃষ্ঠাত

**জিতু, পদ্মইয়ো পাব পাৰে উপ-নিৰ্বাচনৰ পুৰস্কাৰ**

## হিমন্ত বিশ্বৰ মন্ত্ৰীসভা সম্প্ৰসাৰণত নিশ্চিত বৰাকৰ বিধায়ক কৃষ্ণেন্দু পাল



**ই-সংবাদ, ১ ডিচেম্বৰঃ** মন্ত্ৰীসভা সম্প্ৰসাৰণৰ জল্পনা-কল্পনাৰ মাজতে হঠাৎ বিজেপিৰ কেবাজনো জ্যেষ্ঠ বিধায়ক তৎপৰ হৈ পৰিছে। মন্ত্ৰিত্ব লাভৰ বাবে বহুতেই এতিয়া তৈলমৰ্দন আৰু লেনদেনৰ ৰাজনীতি কৰাৰ বাবেও যোগাযোগ চলাই থকা বুলি বিজেপিৰ এক ঘনিষ্ঠ সূত্ৰই প্ৰকাশ কৰিছে। শেষাংশ ৩ পৃষ্ঠাত



**খাৰ্গেৰ বিশেষ মন্তব্য**

## মোদীয়ে নুশুনে আৰএছএছৰ কথা!

**নতুন দিল্লী, ১ ডিচেম্বৰঃ** কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই বিজেপিৰ শীৰ্ষ নেতৃত্বৰ বিৰুদ্ধে দেশৰ প্ৰতিটো মছজিদত জৰীপ চলাই সমাজক বিভাজন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন শেষাংশ ৫ পৃষ্ঠাত

**ৰয়টাৰৰ প্ৰতিবেদনক লৈ চাঞ্চল্য! নাম আছে ইউকো, অভাৰছীজৰো**

# আকৌ ৪টাকৈ চৰকাৰী বেংক বিক্ৰীৰ পৰিকল্পনা কেন্দ্ৰৰ!




গাজাৰ পণবন্দীসকলৰ মুক্তিৰ দাবীত ইজৰাইলত অব্যাহত প্ৰতিবাদ

**মুম্বাই, ১ ডিচেম্বৰঃ** পুনৰ আৰু চাৰিটা চৰকাৰী বেংকক লৈ নতুন অংক আৰম্ভ কৰিছে মোদী চৰকাৰে। চাৰিটাকৈ চৰকাৰী বেংকৰ ষ্টক বিক্ৰীৰ খবৰ পোহৰলৈ অহাৰ লগে লগে এই সন্দৰ্ভত জল্পনা-কল্পনা তীব্ৰতৰ হৈ পৰিছে। অৱশ্যে কেন্দ্ৰৰ পৰা এতিয়ালৈকে কোনো আনুষ্ঠানিক বিবৃতি পোৱা হোৱা নাই। ৰয়টাৰৰ এক প্ৰতিবেদন শেষাংশ ৬ পৃষ্ঠাত

## মুছলেক অপৰাধীঃ আলফা

**ই-সংবাদ, ১ ডিচেম্বৰঃ** চৰাইদেউ জিলাৰ দল-সংগঠনে ড্ৰাগছ ব্যৱসায়ীৰ সপক্ষে আন্দোলন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সংযুক্ত মুক্তি বাহিনী স্বাধীন চমুকৈ আলফা স্বাধীনে। আজি এক বিবৃতিযোগে চৰাইদেউ জিলাৰ নামতোলা নগৰৰ মুছলেক আলীক নগা বিদ্ৰোহীয় অপহৰণ কৰা বন্দী কৰি ৰখা ঘটনাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি চৰাইদেউৰ দল-সংগঠন আৰু অপহৃত শেষাংশ ৪ পৃষ্ঠাত

## ই-ৰিক্সাৰ কিস্তি দিব নোৱাৰি ৰঙিয়াত যুৱকৰ চৰম সিদ্ধান্ত

**ই-সংবাদ, ৰঙিয়া, ১ ডিচেম্বৰঃ** পুনৰ ৰাজ্যত আন এগৰাকী দৰিদ্ৰ ঘৰৰ যুৱকে আৰ্থিক দৈন্যতাত ককবকাই নিজৰ জীৱন শেষ কৰিবলৈ বাধ্য হ'ল। কামৰূপ জিলাৰ ৰঙিয়া উপ-জিলাৰ শেষাংশ ৪ পৃষ্ঠাত

## বাংলাদেশত হিন্দুক নিৰ্যাতনৰ বিৰুদ্ধে উত্তাল বৰাক

**ই-সংবাদ, ১ ডিচেম্বৰঃ** চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সংখ্যালঘু হিন্দুৰ ওপৰত বৰ্বৰ আক্ৰমণ অব্যাহত থকাৰ সময়তে ভাৰতত বিষয়টোক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ আহিছে। ভাৰতৰ বিভিন্ন দল-সংগঠন তথা চৰকাৰে বাংলাদেশত বসবাস কৰি থকা সংখ্যালঘু হিন্দুক সুৰক্ষা দিবলৈ তাৰ




অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছক দাবী জনাই আহিছে। ভাৰতৰ মুখ্য বিৰোধী দল কংগ্ৰেছে পত্ৰযোগে ভাৰত চৰকাৰক বিষয়টোত হস্তক্ষেপ কৰি বাংলাদেশৰ হিন্দুৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাবী জনাই আহিছে। কেন্দ্ৰীয় চৰকাৰে বাৰে বাৰে বাংলাদেশৰ হিন্দুৰ শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিও কিয় এলাগী হৈ ৰৈছে

অনুষ্ঠিত হৈ আহিছে চ্যুকাফা দিৱস অথবা অসম দিৱস। ম্যুং মাও পাৰ হৈ আহি ১২২৮ খ্ৰীষ্টাব্দত সৌমাৰপীঠত প্ৰৱেশ কৰি ১২৫৩ খ্ৰীষ্টাব্দত চৰাইদেউত প্ৰথমটো স্থায়ী ৰাজধানী পাতিছিল চাওলুং চ্যুকাফাই। চৰাইদেউৰপৰাই আৰম্ভ হৈছিল ৬০০ বছৰীয়া আহোম ৰাজত্বকালৰ। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো জাতি-জনগোষ্ঠীৰ মহামিলনেৰে বৃহত্তৰ অসমীয়া জাতি গঠন কৰা এইজনা স্বৰ্গদেউৰ অৱদানলৈ শ্ৰদ্ধা জনায় ১৯৮৭ চনৰ ২ ডিচেম্বৰৰপৰা ৰাজ্যত পালন কৰি অহা হৈছে চ্যুকাফা দিৱস বা অসম দিৱস।

বুৰঞ্জীৰ তথ্য অনুসৰি, আনুমানিক ১১৮৬ খ্ৰীষ্টাব্দত উত্তৰ ব্ৰহ্মদেশৰ চিউলি নদীৰ পাৰৰ চেন চেতত চাও তাই পঙৰ কাৰেঙত চাওলুং চ্যুকাফাৰ জন্ম হৈছিল । চ্যুকাফাৰ পূৰ্বপুৰুষ সকল আছিল খুঙলুঙ বংশধৰ। ৰাজধানী চানচেতত তেখেতৰ পূৰ্বপুৰুষ সকলে বসবাস কৰিছিল। তাতে ককাদেউতাকৰ কাৰেঙত চুকাফাৰ জন্ম হৈছিল।

এখন নতুন দেশ জিনাৰ সপোন লৈ জন্মস্থানৰপৰা পশ্চিম দিশে ১২১৫ চনত তেওঁ হাতী-ঘোঁৰা লৈ যাত্ৰা আৰম্ভ কৰিলে। তেওঁৰ লগত তিনিগৰাকী ৰাণী ক্ৰমে আইমে চ্যাওলু, নাঙচেন চুমফা আৰু য়ে লু কে ছী চুমফা তথা পৰিয়ালৰ লোক, দুজন মন্ত্ৰী, পাঁচজন কোঁৱৰ, চাৰিজন পণ্ডিত বংশৰ লোক, দুজন বাইলুং, এহেজাৰ আশী জন সৈনিক, ৩০০ ঘোঁৰা, খাম নামৰ এটা দঁতাল হাতী আৰু পেং নামৰ এজনী মাখুন্দী হাতী, তিনি হাজাৰ তামৰ চৰু সহিতে মুঠ ন হাজাৰ লোকক নেতৃত্ব দি সপোন পূৰণৰ বাবে আগবাঢ়ি আহিছিল চাওলুং চুকাফাই।

অতিশয় দুৰ্গম আৰু কণ্টকময় পথ অতিক্ৰমি প্ৰথমে তেওঁলোক পাটকাই পৰ্বতত কিছুদিন থাকি তাৰ পিছত আহি হুকং উপত্যকাত উপস্থিত হয়। ইয়াতে বহুসংখ্যক তাই জাতিৰ মানুহ আহি চুকাফাৰ লগ লাগেহি। এনেদৰেই অতি কষ্টৰে বহু দুৰ্গম পথ অতিক্ৰম কৰ পাটকাই পৰ্বত পাৰ হৈ ১২১৮ চনত খামজাং নামৰ নৈখনৰ পাৰত উপস্থিত হয়। এই ঠাইত আগৰেপৰাই বসতি স্থাপন কৰা নগাবোৰে অচিনাকি মানুহ দেখি খেদি অহাত দুয়ো পক্ষৰ মাজত যুদ্ধ হয় আৰু এই যুদ্ধত চ্যুকাফা জয়ী হোৱাত তেওঁ নগা ৰাজ্যখনক নিজৰ তলতীয়া ৰাজ্য ৰূপে ঘোষণা কৰে আৰু ডাঙৰীয়া এজনক শাসন কৰিবলৈ দায়িত্ব দি কিছু লোকক তাতেই সংস্থাপিত কৰি সৈন্যবাহিনীক লগত লৈ পুনৰ যাত্ৰা আৰম্ভ কৰে। এই যাত্ৰাত হোৱা সকলো অভিজ্ঞতা লিখি যাবলৈ তেওঁ মহুঙ চাংবুন পণ্ডিতক আদেশ দি কয়, "যেতিয়া যি কথা হয়, যি মৰে যাক পাওঁ সকলো কথা পণ্ডিতে লিখি ৰাখিব।"তেতিয়াৰ পৰাই বুৰঞ্জী লিখাৰ প্ৰক্ৰিয়াটো আৰম্ভ হয় বুলি কোৱা হয়। চ্যুকাফাই লগত লৈ অহা পণ্ডিত লোকসকলে সাঁচিপাতত লিখি ৰাখিছিল প্ৰতিটো সৰু-বৰ ঘটনা।

এনেদৰেই বহুতো ঘাট-প্ৰতিঘাতৰ মাজেৰে আহি আহি নামৰূপ নামৰ ঠাইত বাহৰ পাতে। তাতো তেওঁ বসবাসৰ বাবে অসুবিধা পোৱাত সেই স্থান ত্যাগ কৰি দিহিং নৈৰ পাৰ পাইছিল। তাতো বসতিৰ বাবে উপযুক্ত নোহোৱাত তিপাম পালেগৈ। ১২৪০ খ্ৰীষ্টাব্দত তেওঁ হাবুঙ পালেগৈ আৰু তাত তিনি বছৰ কটাই। এইখিনিতে কোৱা প্ৰয়োজন যে, চ্যুকাফাৰ লগত অহা দলটোৱে শালি ধানৰ বীজ, গৰু-মহ, নাঙল-যুঁৱলিকে ধৰি খেতিৰ বাবে প্ৰয়োজনীয় সঁজুলিসমূহো লগত লৈ অহাৰ বাবে যি ঠাইতে কিছুদিন ৰৈছিল তাতে খেতি কৰি উৎপাদন কৰিছিল খাদ্য-সামগ্ৰী। হাবুঙত বানপানীয়ে খেতিপথাৰ নষ্ট কৰাত পৰৱৰ্তী সময়ত দিখৌ নৈয়েদি যাত্ৰা কৰি শিমলুগুৰিত উঠিলহি ১২৪৬ খ্ৰীষ্টাব্দত। তাতে কিছু বছৰ থকাৰ পাছত বহু পৰ্যবেক্ষণ আৰু সুদীৰ্ঘ কাল যাত্ৰাৰ সময়ত লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত ১২৫৩ খ্ৰীষ্টাব্দত চৰাইদেউৰ পাহাৰত ৰাজধানী স্থাপন কৰে। এই ঠাইডোখৰ পাহৰীয়া ওখ ঠাই আছিল বাবে বানপানীৰ আশংকা নাছিল। তেওঁলোকে ঠাই ডোখৰৰ নাম দিলে চে- ৰাই- দয়। চে মানে নগৰ, ৰাই মানে জিলিকি থকা, দয় মানে পৰ্বত। এনেদৰেই চাওলুং চুকাফাই চৰাইদেউত স্থায়ী ৰাজধানী পাতি ৰাজ্য শাসন কৰিবলৈ ললে আৰু তাৰ পৰাই এখন নতুন দেশ সৃষ্টিৰ সপোনে পৰিপূৰ্ণতা লাভ কৰিলে । ১২৬৮ খ্ৰীষ্টাব্দত ৮২ বছৰ বয়সত এইজনা মহান পুৰুষৰ মৃত্যু হয় ।

চাওলুং চুকাফাই চৰাইদেউত ৰাজধানী পাতি 'অসম' দেশ গঢ়াৰ দিয়াৰ লগতে পূৰ্বৰেপৰা বসতি স্থাপন কৰা বৰাহী, মৰাণকে ধৰি সৰু বৰ জাতিৰ লোক সকলৰ লগত সম্পৰ্ক স্থাপন কৰি জন্ম দিলে শক্তিশালী অসমীয়া জাতিৰ।

সাতৰাজ সামৰি এক ৰাজ কৰি এখন বৰ অসম গঢ়া স্বপ্নদ্ৰষ্টা চাওলুং চ্যুকাফা অসমীয়া জাতিৰ পিতৃপুৰুষ। কিন্তু, আমাৰ মনলৈ অহা চিন্তাটো হ'ল অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অশেষ বৰঙনি আগবঢ়োৱা চাওফা চ্যুকাফাৰ প্ৰতি যেন আমি যিমান শ্ৰদ্ধাশীল হ'ব লাগিছিল সিমান হ'ব পৰা নাই। ক'ৰবাত যেন স্থবিৰ হৈছো আমি। কাৰণ, আজি যেন আমি পাহৰি পেলাইছোঁ চ্যুকাফাৰ আদৰ্শ। যাৰ বাবে জাতি-জনগোষ্ঠীৰ মাজত থকা সম্প্ৰীতিৰ বান্ধোন আজি নিশকতীয়া হ'বলৈ আৰম্ভ কৰিছে লাহে লাহে।

আনকি চ্যুকাফাৰ মৈডামটো সংৰক্ষণ কৰিবলৈও আমাৰ এলাহ। কি ৰজাঘৰ, কি প্ৰজাঘৰ ! বিজ্ঞানসন্মত ভাবে সংৰক্ষণ কৰিবলৈও আজিলৈকে আহৰি নহ'ল আমাৰ। আনকি সাতশ বছৰৰো অধিক কাল মৈদামটো চিনাক্ত নোহোৱাকৈ থকাৰ পাছত ২০১৫ চনত বিভিন্ন আহোম পুথি, বুৰঞ্জীবিদ, টাই পণ্ডিত-গৱেষকৰ তথ্যৰ ভিত্তিত চ্যুকাফাই উপাসনা কৰা লাংকুৰী দেওশালৰ উত্তৰ দিশত বিভিন্ন দল সংগঠনৰ সহযোগত কেইবাটাও মৈদাম উদ্ধাৰ কৰা হয়।

ইয়াৰে প্ৰথমটো স্বৰ্গদেউ চ্যাওলুং চ্যুকাফাৰ আৰু আন দুটা তেখেতৰ পুত্ৰৰ বুলি ঠাৰৰ কৰে বুৰঞ্জীবিদসকলে। কিন্তু পৰিতাপৰ কথা ২০১৫ চনতে উদ্ধাৰ কৰাৰ পাছতো আজিলৈকে সংৰক্ষণৰ ব্যৱস্থা নকৰিলে ৰজাঘৰে। কেইগৰাকীমান সমাজ সচেতন লোকে মৈদামটো লোহাৰ বেৰ দি সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও ৰজাঘৰে এতিয়ালৈকে সুন্দৰকৈ সজাই পৰাই তুলিবলৈ সক্ষম নহ'ল। যিটো অতি পৰিতাপৰ কথা।

শেহতীয়াকৈ আহোম ৰাজত্বকালৰ প্ৰথমটো স্থায়ী ৰাজধানী তথা পৰৱৰ্তী সময়ত আহোম স্বৰ্গদেউসকলৰ পৱিত্ৰ সমাধিস্থলীত পৰিণত হোৱা চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে লাভ কৰিলে। এয়া কেৱল আহোমসকলৰ বাবে নহয়, সমগ্ৰ অসম আৰু অসমীয়াৰ বাবেই গৌৰৱৰ বিষয়। চৰাইদেউ মৈদাম ক্ষেত্ৰক সুন্দৰ ৰূপত সজাই-পৰাই ইয়াৰ স্থাপত্য কলা সন্দৰ্ভত ড'চিয়াৰ প্ৰস্তুত কৰি বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ নিশ্চিতভাৱে আদৰণীয়। কিন্তু এই চৰাইদেউ মৈদাম ক্ষেত্ৰৰ সমীপতে থকা চ্যুকাফা মৈদামটো এলাগী হৈ থকাটো আমাৰ কাম্য নহয়।

যিজনা মহান পুৰুষৰ নাম নল'লে অসমীয়া জাতিৰ অস্তিত্ব নাই সেইজনা মহান ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ, তেখেতৰ বিষয়ে নতুন প্ৰজন্মৰ মাজত অধিক প্ৰচাৰ কৰিবলৈ হ'লে পাঠ্যক্ৰমত চাওলুং চ্যুকাফা বিষয়ৰ পাঠ অন্তৰ্ভুক্তিকে ধৰি মৈদামটোও সুন্দৰ ৰূপত সজাই-পৰাই জিলিকাই ৰাখিব লাগিব বুলি আমি ভাবো। আশাকৰো অনাগত দিনত বিজ্ঞজনৰ পৰামৰ্শ লৈ বিভাগীয় কৰ্তৃপক্ষই এইক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব। তেতিয়াহে চাওলু ছ্যুকাফাৰ প্ৰতি প্ৰকৃত সন্মান প্ৰদৰ্শন কৰা হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্বৰ মন্ত্ৰীসভা সম্প্ৰসাৰণত নিশ্চিত

অসম মন্ত্ৰীসভাত ৪জনকৈ মন্ত্ৰী নতুনকৈ অন্তৰ্ভুক্ত কৰিব পৰাৰ ব্যৱস্থা থকাৰ কথাটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই কেবাজনো বিজেপিৰ জ্যেষ্ঠ বিধায়কে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰামতে যদি বৰাকৰ পৰা এজনকেই মন্ত্ৰী সভাত নতুনকৈ অন্তৰ্ভুক্ত কৰে তেন্তে সেই স্থান নিশ্চিতভাৱে কৃষ্ণেন্দু পালে লাভ কৰিব। ইয়াৰোপৰি শেহতীয়াকৈ ৰাজনৈতিক দক্ষতাৰ ওপৰত ভিত্তি কৰি কেবাজনো বিজেপিৰ বিধায়কে মন্ত্ৰীসভাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবৰ বাবে কুচ-কাৱাজ আৰম্ভ কৰিছে। বিধানসভাৰ উপ-নিৰ্বাচনত ভাল ফল দেখুওৱাৰ বাবে এতিয়া জিতু গোস্বামীৰ নাম চৰ্চালৈ আহিছে। শেহতীয়াকৈ চামগুৰি বিধানসভা সমষ্টিত দীৰ্ঘদিনৰ পিছত কংগ্ৰেছৰ পৰা কাঢ়ি আনিবলৈ সক্ষম হোৱাৰ মূল হোতা জিতু গোস্বামী বুলিয়েই চিহ্নিত হৈছে আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়কজনক মন্ত্ৰিত্ব প্ৰদান কৰিবৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত বহুতে প্ৰস্তাৱ দাখিল কৰিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইন সাংসদ হৈ যোৱাৰ পিছত সেই সমষ্টিটোত কংগ্ৰেছৰ দখলত ৰাখিবলৈ হুছেইনে আপ্ৰাণ চেষ্টা চলাই নিজৰ উত্তৰসূৰী হিচাপে পুত্ৰক চামগুৰি সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ কৰাইছিল যদিও বিজেপিৰ আগ্ৰাসী ভূমিকাৰ বাবে মুঠত ২৪৫০১টা ভোটত তাঞ্জিল হুছেইন পৰাস্ত হৈছিল। চামগুৰি সমষ্টিৰ নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু সাংসদ ৰকিবুল হুছেইনৰ মাজত তীব্ৰ বাক-বিতণ্ডা সৃষ্টি হৈছিল আৰু ইজনে-সিজনক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযুষ হাজৰিকাই চামগুৰি সমষ্টি নিজিৰ দখললৈ অনাতো এক সন্মানৰ প্ৰশ্ন হিচাপৰে গণ্য কৰিছিল আৰু যাৰ বাবে চামগুৰিত নথকাকৈ সমষ্টিটোৰ সকলো কাম-কাজ ৰিমোট কণ্ট্ৰ'লৰ দৰে জিতু গোস্বামীক ব্যৱহাৰ কৰি আগবাঢ়ি গৈছিল। মুখ্যমন্ত্ৰী আৰু পীযুষ হাজৰিকাই তৈয়াৰ কৰা ব্লুপ্ৰিণ্ট অনুযায়ীয়েই জিতু গোস্বামীয়ে ৰূপক শৰ্মা আৰু ৰকিবুল হুছেইনৰ একালৰ ঘনিষ্ঠ কেবাজনো সংখ্যালঘু নেতাক লৈ চামগুৰিত অভিযান চলাইছিল আৰু বহু কংগ্ৰেছী লোকক ভীতিগ্ৰস্ত কৰি ভোট দিবলৈ অহাৰ পৰা বাৰণ কৰিছিল। সাংসদ ৰকিবুল হুছেইনে এই কথা ৰাজহুৱা কৰাৰ পিছতো নিৰ্বাচন আয়োগৰ ভূমিকা আছিল ধৃতৰাষ্ট্ৰসদৃশ। আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধেও সেই সময়ত বহুত অভিযোগ উত্থাপন হৈছিল। অভিযোগ-প্ৰতিভিযোগৰ মাজতে শেহতীয়াকৈ সাংসদ হুছেইনে ইছলামধৰ্মী লোকক গো-মাংসৰ ভোজ খুৱাই ভোট ক্ৰয় কৰা বুলিও ৰাজহুৱাকৈ অভিযোগ কৰিছে। এনে পৰিস্থিতিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰকিবুল হুছেইনে ক'লে অসমত গো-মাংসৰ বিক্ৰী বন্ধ কৰি দিব বুলিও ঘোষণা কৰিছে। হিন্দু-মুছলমানৰ মেৰুকৰণৰ ৰাজনীতি কৰাত সফল হোৱা বাবেই জিতু গোস্বামীৰ নাম মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হোৱাৰ দাবী উত্থাপন হৈছে। ইফালে, বিহালী সমষ্টিত হিন্দু-মুছলমানৰ ৰাজনীতি কৰা বাবে পদ্ম হাজৰিকাৰ নামো চৰ্চালৈ আহিছে। মুছলমান তুষ্টিকৰণৰ ক্ষেত্ৰত যোৱা উপ-নিৰ্বাচনত বিশেষ ভূমিকা পালন কৰা বাবে পদ্ম হাজৰিকাই মন্ত্ৰিত্ব পাব লাগে বুলি বিজেপিৰ একাংশ লোকে দাবী উত্থাপন কৰিছে। এতিয়া উপ-নিৰ্বাচনত হিন্দু-মুছলমানৰ ৰাজনীতিৰ পুৰস্কাৰ হিচাপে জিতু, পদ্মই লাভ কৰিব পাৰে মন্ত্ৰী পদ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশত হিন্দুক নিৰ্যাতনৰ বিৰুদ্ধে

সুৰক্ষা নিশ্চিত কৰিবলৈ কৈ আহিছে যদিও বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে গুৰুত্বসহকাৰে নোলোৱাৰ ফলতে বাংলাদেশৰ হিন্দুৰ ওপৰত আক্ৰমণ, ধৰ্মস্থলী, সাধু-সন্নাসীৰ ওপৰত আক্ৰমণ হৈ আহিছে। শেহতীয়াকৈ ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত ইস্কনৰ ধৰ্মীয় গুৰু চিন্ময় কৃষ্ণক গ্ৰেপ্তাৰক লৈ বাংলাদেশত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। হাজাৰ হাজাৰ লোকে ৰাজপথলৈ ওলাই আহি ইস্কনৰ ধৰ্মগুৰুজনক মুকলি কৰি দিয়াৰ দাবী জনাইছিল। সেই সময়ত বাংলাদেশ প্ৰশাসনে বৰ্বৰ আচৰণ কৰি প্ৰতিবাদী সংখ্যালঘূক প্ৰহাৰ কৰিছিল। তেনে সময়তে বাংলাদেশৰ চৰকাৰী অধিবক্তা ছাইফুল ইছলামৰ মৃত্যু হয়। ছাইফুল ইছলামৰ মৃত্যুত উগ্ৰ হোৱা একাংশ লোকে হিন্দুক আক্ৰমণৰ লক্ষ্য কৰি লয়। চট্টগ্ৰামত তিনিটা মন্দিৰত আক্ৰমণ কৰাৰ লগতে কেবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ লণ্ড-ভণ্ড কৰে। আনহাতে বাংলাদেশত এইবাৰ আন দুজন সন্নাসীক গ্ৰেপ্তাৰ কৰা হৈছে। ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত কাৰাগাৰত থকা চিন্ময় কৃষ্ণক আহাৰ যোগান ধৰিবলৈ যোৱা শ্যাম দাস আৰু স্বৰূপ দাসক গ্ৰেপ্তাৰ কৰা হৈছে। তিনিজনকৈ সন্নাসীক গ্ৰেপ্তাৰ, মন্দিৰত আক্ৰমণৰ ঘটনাক লৈ অসমত প্ৰতিক্ৰিয়াৰ সৃষ্টিৰ মাজতে অসম-বাংলাদেশ সীমান্ত উত্তপ্ত হৈ পৰিছে। বাংলাদেশত সংখ্যালঘুৰ উৎপীড়নৰ অভিযোগক গৰিহণা দি মহাৰাজ চিন্ময় কৃষ্ণ দাসৰ মুক্তিৰ দাবীত বাংলাদেশ চলো অভিযান আৰম্ভ কৰি আজি চুটাৰকান্দিৰ অসম-বাংলাদেশ সীমান্তক হাজাৰ হাজাৰ লোক সমৱেত হয়। হাজাৰ হাজাৰ লোকে বাংলাদেশত প্ৰৱেশৰ প্ৰয়াস কৰাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে সমদল কৰি চুটাৰকান্দিৰ অসম-বাংলাদেশ সীমান্তত উপস্থিত হোৱাত নিৰাপত্তা বাহিনীৰ সৈতে সংঘাত লগাত এজন প্ৰতিবাদকাৰী আঘাতপ্ৰাপ্ত হয়। হিন্দুত্ববাদী সংগঠনৰ নেতৃত্ব একত্ৰিত প্ৰতিবাদকাৰীসকলে বাইক ৰেলী কৰাৰ সময়ত বাংলাদেশী পতাকা পদদলিত কৰি 'জয় শ্ৰী ৰাম' ইউনুছ চৰকাৰ হায়ঃ হায়ঃ, ইউনুছ মুৰ্দাবাদ আদি শ্ল'গান দিয়া দেখা যায়। এই প্ৰতিবাদ বাংলাদেশ সীমান্তৰ পৰা প্ৰায় ৮০০ মিটাৰ নিলগত কৰাত দুয়োদেশৰ নিৰাপত্তাৰক্ষী সষ্টম হোৱা পৰিলক্ষিত হয়। কিয়নো প্ৰতিবাদকাৰীসকলে বাংলাদেশত প্ৰৱেশৰ বাবে বেৰিকেড ভাঙিবলৈ চেষ্টা কৰে। পৰিস্থিতি অৱনমিত হ'বলৈ ধৰে। পৰিস্থিতিয়ে অধিক অৱনতি হোৱাৰ পূৰ্বে উচ্চ পদস্থ আৰক্ষীৰ নেতৃত্বত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে পৰিস্থিতি কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰিবলৈ বাধ্য হয়। প্ৰতিবাদকাৰীৰ সংখ্যা হঠাতে বৃদ্ধি পোৱাত অধিক বাহিনী মোতায়েন কৰা হয়। সীমান্ত অঞ্চলত শৃংখলা বজাই ৰাখিবলৈ কঠোৰ পদক্ষেপ লয় আৰক্ষীয়ে। প্ৰতিবাদকাৰীসকলক সীমান্তত উপস্থিত হোৱাত বাধা দিবলৈ ৩০০ তকৈও অধিক নিৰাপত্তাৰক্ষী মোতায়েন কৰা হৈছে। সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ) জোৱানসকল ইণ্ডো-বাংলাদেশ সীমান্তৰ ওচৰত যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে সতৰ্ক হৈ আছে। বাংলাদেশ চলো অভিযানে বাংলাদেশৰ সংখ্যালঘুসকলৰ প্ৰতি আৰম্ভ হোৱা অত্যাচাৰৰ বিৰুদ্ধে কৰা হৈছে। অসমৰ পৰাই প্ৰতিবাদকাৰীসকলে সংখ্যালঘুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে দাবী জনাইছে। আজিৰ এই বাংলাদেশ চলো অভিযানে উদ্বেগ বৃদ্ধি কৰালৈ চাই নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ই-ৰিক্সাৰ কিস্তি দিব নোৱাৰি ৰঙিয়াত

জলজলিৰ ই-ৰিক্সা চালকে চূড়ান্ত সিদ্ধান্ত লোৱাত সমগ্ৰ ৰঙিয়াত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জলজলিৰ পেছাত ই-ৰিক্সাচালক নিপজ্যোতি দাস আত্মঘাতী হয়। ৰিক্সাচালক নিপজ্যোতি দাসৰ মৃতদেহ ওলমি থকা অৱস্থাত বাৰীৰ এজোপা গছত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয়। মৃতদেহ প্ৰত্যক্ষ কৰে স্থানীয় লোকে তুলসীবাৰী আৰক্ষী চকীত খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰোণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। ঘটনাক লৈ তুলসীবাৰী আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাত আৰ্থিক জুৰুলা অৱস্থাৰ বাবে নিপজ্যোতি দাসে আত্মঘাতী হোৱাৰ সন্দেহ কৰা হৈছে। যোৱা নিশা ঘৰৰ পৰা কিছু সময় অন্তৰ্ধান হৈ থকাৰ পিছতে নিজ বাসগৃহৰ পিছফালে মৃতদেহ উদ্ধাৰ হোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। যুৱকজনক ঋণ দিয়া বিত্তীয় প্ৰতিষ্ঠানে ঋণৰ কিস্তি আদায় দিব নোৱাৰাত বাৰে বাৰে মানসিক হাৰাশাস্তি কৰাৰ অভিযোগ আনিছে একাংশ লোকে। বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈ ই-ৰিক্সা ক্ৰয় কৰা যুৱকজনে কিস্তিৰ ধন আদায় দিব নোৱাৰাত ই-ৰিক্সাখন জব্দ কৰিছিল বুলিও জানিব পৰা গৈছে। ই-ৰিক্সাখন জব্দ কৰাত চৰম পন্থা ল'বলৈ বাধ্য হোৱা বুলি অভিযোগ আনিছে আত্মীয়ই। জানিব পৰা মতে, দৰিদ্ৰ ঘৰৰ সন্তান নিপজ্যোতি দাসে পিতৃ-মাতৃ আৰু দুই ভাতৃসহ ঘৰখন চলাইছিল। ঋণ লৈ আৰু কিছু ধন জমা কৰি ই-ৰিক্সাখন ক্ৰয় কৰিছিল। কিন্তু উপাৰ্জনখিনি ঘৰখনতে খৰচ কৰিবলগীয়া হোৱাত ঋণৰ কিস্তি দিবলৈ সক্ষম হোৱা নাছিল। ইপিনে বাৰে বাৰে বিত্তীয় প্ৰতিষ্ঠানে হাৰাশাস্তি কৰি আহিছিল বুলি অভিযোগ উঠিছে। ভয়ানক মূল্যবৃদ্ধি, কৰ-কাটলৰ কৰাল গ্ৰাসত ককবকাই থকা সমাজৰ এটা শ্ৰেণী বিধ্বস্ত হৈ পৰিছে। চৰকাৰে অৰুণোদয় আঁচনি ৰূপায়ন কৰি ১২৫০ টকাকৈ দি আহিছে দিও সেই টকা এপাচি শাকত এটা জলকীয়াৰ লেখিয়া। নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত উপাৰ্জনেৰে পৰিয়াল চলাব নোৱাৰা চৰকাৰে হিন্দুত্ববাদৰ ৰাজনীতি মগন হৈ আছে যদিও মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰি এই শ্ৰেণীটোক সকাহ দিব নোৱাৰিলে হয়তো এনে বহু নিপজ্যোতি দাস আত্মঘাতী হ'বলৈ বাধ্য হ'ব। সময় থাকোতেই চৰকাৰে সমাজৰ বাবে মহাব্যাধি হৈ পৰা মূল্যবৃদ্ধি, কৰ-কাটল হ্ৰাস কৰিব নোৱাৰিলে অনাগত দিনত পৰিস্থিতি আৰু অধিক ভয়ংকৰ হোৱাৰ আশংকা বৃদ্ধি যে পাব সেয়া খাতাং।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুছলেক অপৰাধীঃ আলফা

মুছলেক আলীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ প্ৰচাৰ বিভাগৰ সহঃ সম্পাদকে প্ৰকাশ কৰি বিবৃতি যোগে মুছলেক আলীক অপৰাধী আখ্যা দি নাগালেণ্ডৰ বিৰুদ্ধে আৰ্থিক অৱৰোধ কৰাত প্ৰশ্ন উত্থাপন কৰিছে। নাগালেণ্ডৰ বিৰুদ্ধে অসমৰ দল-সংগঠনে অৰ্থনৈতিক অৱৰোধ কৰাৰ কোনো যুক্তি আমি দেখা পোৱা নাই আৰু এয়া অদূৰদৰ্শী আৰু অবিবেচক বুলি দল-সংগঠনক সমালোচনা কৰিছে আলফা স্বাধীনে। বিবৃতিযোগে আলফা স্বাধীনে কয় যে ২৬ নৱেম্বৰৰ সন্ধিয়া নামতোলা নগৰৰ মুছলেক আলী নামৰ এগৰাকী ব্যৱসায়ীক এন.এচ.চি.এন,জি.পি.আৰ.এন সংগঠনৰ সদস্যই মাৰাত্মক ড্ৰাগছ সৰবৰাহ আৰু বিক্ৰীৰ কৰাৰ অভিযোগত ব্যৱসায়ীক প্ৰতিষ্ঠানৰ পৰা আটক কৰি লৈ যায়। উক্ত ঘটনাৰ আলম লৈ নাগালেণ্ডৰ বিৰুদ্ধে অসমৰ বিভিন্ন দল-সংগঠনে প্ৰতিবাদ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। এন.এচ.চি.এন, জি.পি.আৰ.এন সংগঠনৰ অভিযোগ সত্যতা প্ৰমাণ কৰি আটকাধীন মুছলেক আলীয়ে নিজৰ অপৰাধ স্বীকাৰ কৰা ভিডিঅ' বাৰ্তা ইতিমধ্যে সংবাদ মাধ্যমত বিয়পি পৰিছে। যিগৰাকী ড্ৰাগছ ব্যৱসায়ীৰ বাবে কেৱল মন জিলাই নহয় অসমৰো বহু যুৱক-যুৱতীয়ে নিজৰ জীৱন হেৰুৱাব লগাত পৰিছে। সেইগৰাকী অপৰাধীক অসম আৰক্ষীয়ে কৰায়ত্ব কৰিব নোৱাৰাত এন.এচ.চি.এন, জি.পি.আৰ.এন সংগঠনে আটক কৰিছে। গতিকে নাগালেণ্ডৰ বিৰুদ্ধে অসমৰ দল-সংগঠনে অৰ্থনৈতিক অৱৰোধ কৰা কোনো যুক্তি আমি দেখা নাপাও। কিন্তু অসমৰ একাংশ দল-সংগঠনে গ্ৰহণ কৰা অৱৰোধ কাৰ্য্যসূচীয়ে বিষয়টো আৰু অধিক জটিল কৰি তুলিব পাৰে। যিয়ে ভৱিষ্যতে দুয়োখন দেশৰ শান্তি-সম্প্ৰীতি বিঘ্নিত কৰাৰ অৱকাশ আহি পৰিছে। আলফা স্বাধীনে একেটা বিবৃতিত যোগে কয় যে ব্যক্তিগৰাকীৰ ঠাইত সমাজহিতৈষী কোনো ব্যক্তি হোৱা হ'লে আমিও হাত উজান দিলো হয়। কিন্তু সমাজ বিৰোধী তথা এগৰাকী ড্ৰাগছ ব্যৱসায়ীৰ সপক্ষে দল-সংগঠনে এটা মহান জাতিৰ বিৰুদ্ধে পথ অৱৰোধৰ দৰে কাৰ্য্যসূচী হাতত লোৱাটো অদূৰদৰ্শী আৰু অবিবেচক বুলি আমি গণ্য কৰো। সেয়েহে, সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ তৰফৰ পৰা নাগালেণ্ডৰ বিৰুদ্ধে গ্ৰহণ কৰা পথ অৱৰোধ কাৰ্য্যসূচী সম্পূৰ্ণৰূপে বাতিল কৰিবলৈ সমূহ দল-সংগঠনলৈ আহ্বান জনালো। আলফা স্বাধীনে প্ৰেৰণ কৰা এই বিবৃতিক লৈ সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহিলাৰ মৃত্যু, সন্ধানহীন হ'ল যুৱতী

মহানগৰীখনৰ ২৪ বছৰীয়া এগৰাকী ছাত্ৰী নিৰুদ্দেশ হৈ থকাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিউটি পাৰ্লাৰলৈ গৈ নিৰুদ্দিষ্ট হৈ পৰা ছাত্ৰগৰাকী হৈছে ৰিণা কুমাৰী ৰায়। মাষ্টাৰ অৱ বিজনেছ এডমিনিষ্ট্ৰেচনৰ ছাত্ৰীগৰাকীয়ে কালি ঘৰৰ পৰা বিউটি পাৰ্লাৰলৈ যাম বুলি ওলাই আহিছিল। তাৰ পিছৰে পৰা ঘৰলৈ উভতি অহা নাই। পৰিয়ালৰ সৈতেও যোগাযোগ কৰা নাই। পৰিয়ালে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰি সন্ভেদ নোপোৱাত বশিষ্ঠ আৰক্ষী থানাত এজাহাৰ দাখিল এজাহাৰ দাখিল কৰে। মেধাৱী ছাত্ৰী ৰিণা কুমাৰী ৰায় নিৰুদ্দেশ হোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, চুবুৰীয়া ৰাজ্য মেঘালয়ৰ শ্বিলঙৰ পুলিচ বজাৰত যুৱতীগৰাকীৰ লোকেচন ধৰা পৰিছে। এই খবৰ লাভ কৰি মেশ্বিলঙলৈ ৰাওনা হৈছে পৰিয়ালৰ লোক। পৰিয়ালৰ লোকৰ সৈতে গৈছে গুৱাহাটী আৰক্ষীৰ এটা দল। জানিব পৰা মতে, ৰিণা কুমাৰী ৰায়ৰ ঘৰ হৈছে বৰপথাৰত। গুৱাহাটীত থাকি অধ্যয়ন কৰি আছিল। তেনে অৱস্থাতে শনিবাৰে দুপৰীয়া ঘৰৰ পৰা পাৰ্লাৰলৈ যাম বুলি ওলাই আহি ২৪ বছৰীয়া ৰিণা কুমাৰী ৰায় নিৰুদ্দেশ হয়। ইফালে, মহানগৰীৰ নিজৰাপাৰত এগৰাকী বয়োজ্যেষ্ঠ মহিলাৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৩০ নৱেম্বৰৰ নিশা মহিলাগৰাকীৰ মৃতদেহটো একাংশ লোকে প্ৰত্যক্ষ কৰিছিল। তাৰ পিছতে চানমাৰি আৰক্ষীক খবৰ দিয়া হয়। স্থানীয় আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। মৃতদেহটো উদ্ধাৰৰ পিছতে ৰাইজৰ দলৰ মুৰব্বী তথা বিধায়ক অখিল গগৈৰ নাম সাঙোৰ খাই পৰিছে। পুষ্পক্ষী বৰা বুলি চিনাক্ত হোৱা মহিলাগৰাকীৰ নিজৰাপাৰৰ মাটিয়েই অখিল গগৈয়ে ক্ৰয় কৰিছিল। মাটিখিনি বিক্ৰী কৰি তেওঁ নগাঁৱৰ ঘৰলৈ গুছি গৈছিল। প্ৰাথমিক অনুসন্ধানত বৰাৰ মৃত্যু স্বাস্থ্যৰ জটিলতাৰ প্ৰাকৃতিক কাৰণত হোৱাৰ সম্ভাৱনা আছে। মৃতদেহ উদ্ধাৰৰ সময়ত বিধায়ক অখিল তেওঁৰ বাসগৃহতে আছিল। এনেদৰে এতিয়া নিতৌ মহানগৰীত ঘটি আছে উদ্বেগজনক ঘটনা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীয়ে নুশুনে আৰএছএছৰ কথা!

কৰিছে। তেওঁ আৰু কয় যে বিজেপি দলে তেওঁলোকৰ পিতৃ সংগঠনস্বৰূপ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ (আৰএছএছ) মুৰব্বী মোহন ভাগৱতৰ পৰামৰ্শকো উপেক্ষা কৰিছে। দিল্লীৰ ৰামলীলা ময়দানত দলিত, সংখ্যালঘু, আদিবাসী আৰু অ'বিচি পৰিষদে আয়োজন কৰা বৃহৎ ৰেলী সম্বোধন কৰি খাৰ্গেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মছজিদ জৰীপৰ অনুমতি দি জনসাধাৰণৰ একতা আৰু সুৰক্ষা নিশ্চিত কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰে। বিজেপি নেতাসকলে মুছলমানসকলে নিৰ্মাণ কৰা লালকিল্লা, তাজমহল, কুতুব মিনাৰ, চাৰমিনাৰৰ দৰে স্থানসমূহ ধ্বংস কৰিব নেকি? খাৰ্গেয়ে এই মন্তব্য উত্তৰ প্ৰদেশৰ সম্ভালত সংঘটিত হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত দিয়ে। চম্ভলৰ এটা বিখ্যাত মছজিদৰ তলত মন্দিৰ থকা বুলি দাবী কৰি দিয়া আৰ্জিৰ শুনানিত আদালতে দিয়া ৰায়ৰ পিছতে মছজিদত জৰীপ কৰিবলৈ যোৱাত সংঘটিত হিংসাত্মক ঘটনাত ৫গৰাকী লোক নিহত হৈছে। কংগ্ৰেছ সভাপতিগৰাকীয়ে দলিত, সংখ্যালঘু আৰু অন্যান্য পিছপৰা শ্ৰেণীক (অ'বিচি) সংবিধান, গণতন্ত্ৰ আৰু তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ঐক্যবদ্ধ হৈ থাকিবলৈ আহ্বান জনায়। আমি যিকোনো মূল্যৰ বিনিময়ত ঐক্যবদ্ধ হৈ থাকিব লাগিব। মোদীয়ে এই ঐক্যৰ ক্ষতি কৰিবলৈ সকলো চেষ্টা কৰি আছে। সমাজ আৰু আনকি জাতিকো বিভক্ত কৰিবলৈ চেষ্টা কৰি আছে। খাৰ্গেই আৰু দাবী কৰি কয় যে মোদীয়ে সাধাৰণ লোকৰ প্ৰতি ঘৃণা পোষণ কৰে। আমাৰ যুঁজ সেই ঘৃণাৰ বিৰুদ্ধে আৰু সেয়েহে ৰাজনৈতিক শক্তি গুৰুত্বপূৰ্ণ। বিজেপিয়ে এটাৰ পিছত এটাকৈ পেণ্ডোৰা বক্স খুলিছে। এতিয়া সকলো ঠাইতে জৰীপ কৰা হৈছে। মছজিদৰ তলত মন্দিৰ বিচাৰি পোৱা গৈছে। এনে দাবী বাঢ়ি আহিছে। কিন্তু ২০২৩ চনত আৰএছএছ নেতা মোহন ভাগৱতে কৈছিল যে আমাৰ লক্ষ্য আছিল ৰাম মন্দিৰ নিৰ্মাণ কৰা আৰু আমি প্ৰতিটো মছজিদৰ তলত শিৱক বিচাৰি যোৱাটো উচিত নহয়। আমি সকলো এক আৰু সেয়াই আমি বিচাৰো। নৰেন্দ্ৰ মোদীয়ে বিপৰীতে কয় 'এক হে তো সুৰক্ষিত হে', কিন্তু কাকো সুৰক্ষাত থাকিবলৈ নিদিয়ে। সঁচা কথাটো হ'ল যে মোদীয়ে আমাক বিভক্ত কৰিছে। মছজিদত মন্দিৰ থকা বুলি দাবী কৰি অহা কাৰ্যক লৈ খাৰ্গেই কয় যে মোদী, আপোনাৰ নেতাই কৈছে যে এতিয়া যিহেতু ৰাম মন্দিৰ নিৰ্মাণ কৰা হৈছে, গতিকে প্ৰতিটো মছজিদত শিৱক বিচাৰি যোৱাৰ কোনো প্ৰয়োজন নাই। মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিজৰ নেতাৰ কথা নুশুনে। যাৰ সমৰ্থনত তেওঁলোকে ক্ষমতা লাভ কৰিছে। মই অনুভৱ কৰো যে মোহন ভাগৱতে ৰাজহুৱাভাৱে কিবা কয় কিন্তু বিজেপি নেতাসকলক একো নকয়। সেয়েহে মই অনুভৱ কৰো যে তেওঁলোক দুমুখীয়া। দলিত, অ'বিচি, মাইনৰিটি আৰু আদিবাসী সমূহৰ উমৈহতীয়া মঞ্চ ডোমা পৰিষদৰ তত্বাৱধানত আজি দিল্লীৰ ৰামলীলা ময়দানত এক ৰেলীৰ আয়োজন কৰা হয়। হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰা ৰেলীত ডোমা পৰিষদৰ ৰাষ্ট্ৰীয় অধ্যক্ষ উদিত ৰাজে ৰেলী সম্বোধন কৰি কয় যে আজি ৰামলীলা ময়দানৰ পৰা ঘোষণা কৰা হৈছে যে যিসকলে ৮০ আৰু ২০ শতাংশ কৰে তেওঁলোকক ১৫ আৰু ৮৫ শতাংশৰে উত্তৰ দিয়া হ'ব। দেশত দলিত, অ'বিচি আৰু জনজাতীয় লোকৰ সংখ্যা ৮৫ শতাংশ আৰু ইজনে সিজনৰ অধিকাৰ উলংঘা নকৰে। বৰ্ণবাদী আৰু মানৱতাবাদী বিৰোধী শক্তিয়ে দলিত, অ'বিচি আৰু জনজাতীয়ৰ বিৰুদ্ধে যুঁজ দি থাকে। ড০ উদিত ৰাজে কয় যে মুছলমানসকলে মণ্ডল আন্দোলনৰ বিৰোধিতা কৰিছিল নেকি? মণ্ডলৰ প্ৰতিবাদত মুছলমানসকলে কোনো ৰথ যাত্ৰা উলিয়াইছিল নেকি? মুছলমানসকলে লোকপিয়লৰ প্ৰতিবাদ কৰিছে নেকি? ৬ গৰাকী দলিত মহিলাক দৈনিক ধৰ্ষণ কৰা হয়, মুছলমানসকলে কৰে নেকি? ২০১৮ চনৰ পৰা পাৰ্শ্বীয় প্ৰৱেশৰ জৰিয়তে আই.এ.এছ. নিয়োগ কৰা হৈছিল। কিন্তু দলিত, অ'বিচিৰ সংৰক্ষণ উলংঘা কৰা হৈছিল। মুছলমানসকলে এই অধিকাৰ কৰ্তন কৰিছিল নেকি বুলি প্ৰশ্ন কৰে। ড০ উদিত ৰাজে লগতে কয় যে ভাৰত চৰকাৰৰ ৪৮ খন বিশ্ববিদ্যালয় আছে। য'ত দলিত, অ'বিচি আৰু জনজাতীয় লোকৰ উপাচাৰ্য নাই। মুছলমানসকলে উপাচাৰ্য দিয়াত বাধা দিছে নেকি? কেন্দ্ৰীয় চৰকাৰত লাখ লাখ পদ খালী আছে, সেইবোৰ পূৰণ নকৰি সংৰক্ষণ ব্যৱস্থা ধ্বংস কৰা হৈছে বুলি আক্ষেপ কৰে প্ৰাক্তন সাংসদ উদিত ৰাজে। দেশৰ প্ৰখ্যাত অ'বিচি নেতা হনুমন্ত ৰাৱে ৰেলীত ভাষণ দি কয় যে জাতি ভিত্তিক লোকপিয়লৰ দাবী অব্যাহত থাকিব। ডোমা পৰিষদে সমগ্ৰ দেশজুৰি জাতিগত লোকপিয়লৰ বাবে প্ৰচাৰ চলাব। তেওঁ অ'বিচি সমাজৰ জাতিগত লোকপিয়লৰ বিৰোধীসকলক এৰি চলিবলৈ আহ্বান জনায়। হনুমন্ত ৰাৱে কয় যে মই অবিভক্ত অন্ধ্ৰ প্ৰদেশ চৰকাৰৰ তিনিবাৰ মন্ত্ৰী আৰু তিনিবাৰ সাংসদ সদস্য হৈছো। মোৰ অভিজ্ঞতাৰ পৰা মই ক'ব বিচাৰো যে নাগৰিক সমাজে সংগ্ৰাম কৰিব লাগিব। যেতিয়া লাভ নাগৰিক সমাজৰ হ'ব লাগে। ই ইয়াৰ অধিকাৰৰ বাবে আগবাঢ়িব লাগিব। পৰিষদৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অধিবক্তা শ্বাহিদ আলীয়ে ভাষণত কয় যে দেশখনত এনে কোনো লোক নাই যিমান মই ৱাকফৰ বিষয়ে খবৰ ৰাখো। মই ৱাকফৰ বহু মোকৰ্দমাৰ বিৰুদ্ধে যুঁজছো আৰু মই ৱাকফৰ সম্পত্তি দখল কৰা দেখিছো। ব্ৰিটিছে ১৯৩১ চনত ভাৰতত ৱাকফৰ সম্পত্তিৰ জৰীপ কৰিছিল। তেওঁ কয় যে ৱাকফ হৈছে ব্যক্তিয়ে দিয়া এক উপহাৰ। ভুল ৱাকফ বিল ঘূৰাই লোৱা উচিত। দলিত, জনজাতীয় লোকসকল আমাৰ সৈতে আছে। আমি এই বিধেয়কখন গৃহীত হ'বলৈ নিদিওঁ। দেশৰ প্ৰখ্যাত নেতা ৰামলু নায়কে কয় যে জনজাতীয় লোকসকলক জংলী বুলি কোৱা হয়। আৰএছএছে একক বিদ্যালয়ৰ জৰিয়তে জনজাতীয় লোকসকলৰ হৃদয়ত মুছলমানসকলৰ বিৰুদ্ধে ঘৃণা উপচাই দিছে। আনহাতে মুছলমানসকলে কেতিয়াও জনজাতীয় সংৰক্ষণৰ বিৰোধিতা নকৰে। কিন্তু মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনক মুখ্যমন্ত্ৰী হোৱাত বাধাত দিয়া হয়। জনজাতীয় সমাজৰ পৰা দেশৰ একমাত্ৰ মুখ্যমন্ত্ৰী হেমন্ত। কিন্তু তেওঁক কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। তেওঁৰ কোনো দোষ নাছিল। আমি প্ৰতিশ্ৰুতি দিছো যে এতিয়া দলিত, অ'বিচি আৰু মুছলমানসকলে সংবিধান ৰক্ষাৰ বাবে একেলগে কাম কৰিম। ফ'ৰাম অপাৰেচনৰ ৰাষ্ট্ৰীয় সমন্বয়ক সতীশ কুমাৰ চানচি আৰু ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ৰবি মহিন্দ্ৰা, উপেন্দ্ৰ যাদৱ, সাংসদ তাৰিক আনৱাৰ, গুৰুদীপ চাপ্পাল, মনোজ কুমাৰ, কাজী নিজামুদ্দিন, বিধায়ক মামান খান, আফতাভ, প্ৰাক্তন বিধায়ক গাইছুদ্দিন শ্বেখ, পাৰভেজ মিয়ান উপস্থিত থাকে। আজিৰ এই সভাখনে বিশেষ তাৎপৰ্য বহন কৰা পৰিলক্ষিত হৈছে।

# নাহৰণি গাঁৱৰ নৱনীতা গগৈলৈ শিশু ৰত্ন বঁটা



**ই-সংবাদ, গেলেকী, ১ ডিচেম্বৰঃ** শিৱসাগৰ জিলা নামতি চাৰিআলিৰ মৰিনামদাং প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত ৰংপুৰ কলা কেন্দ্ৰৰ বৰ্ষপূৰ্তি অনুষ্ঠান উপলক্ষে সদৌ অসম ভিত্তিত আয়োজন কৰা নৃত্য প্ৰতিযোগিতাত নৃত্যপটিয়সী নৱনীতা গগৈক শিশু ৰত্ন বঁটা ২০২৪ প্ৰদান কৰা হয়। নাজিৰাৰ নাহৰণি গাঁৱৰ কৃতী শিক্ষক ৰোহিত চন্দ্ৰ গগৈ আৰু বন্তি গগৈৰ কন্যা নৱনীতা গগৈয়ে বায়েক নীলাক্ষি গগৈৰ ওচৰত নৃত্যৰ প্ৰাৰম্ভিক শিক্ষা গ্ৰহণ কৰিছিল। বাউলী মৈডাম উচ্চ মাধ্যমিক বিদ্যালয়ত সপ্তম শ্ৰেণীত অধ্যয়নৰত নৱনীতা গগৈয়ে সদৌ অসম ভিত্তিত আয়োজন কৰা নৃত্য প্ৰতিযোগিতাত কেইবাবাৰো শ্ৰেষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হৈছে। নৃত্যৰ উপৰিও অভিনয় কৰি আৰু ছবি আঁকি ভাল পোৱা নৱনীতাই নৃত্য প্ৰশিক্ষক বিধান গগৈৰ ওচৰত নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।




পুৰণিগুদাম ভীমৰগাঁৱত আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ ৪টাকৈ চৰকাৰী বেংক বিক্ৰীৰ

অনুসৰি কেন্দ্ৰই চাৰিটা চৰকাৰী বেংকৰ কিছু অংশীদাৰিত্ব বিক্ৰী কৰাৰ পৰিকল্পনা কৰিছে। চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে বজাৰ নিয়ন্ত্ৰণৰ নিয়ম মানি এই সিদ্ধান্ত লোৱা হৈছে। বিত্ত মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি যি চাৰিটা বেংকৰ ষ্টক বিক্ৰী হ'ব সেয়া হ'ল চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া, ইণ্ডিয়ান অভাৰচিজ বেংক, ইউকো' বেংক আৰু পঞ্জাব এণ্ড সিন্ধ বেংক। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে চলিত বৰ্ষৰ ডিচেম্বৰত মোডী কেবিনেট বৈঠকত এই সন্দৰ্ভত অনুমোদন বিচাৰিব পাৰে। বম্বে ষ্টক এক্সচেঞ্জৰ ৱেবছাইট অনুসৰি বৰ্তমান কেন্দ্ৰৰ হাতত আছে কেন্দ্ৰীয় বেংকৰ ৯৩ শতাংশ শ্বেয়াৰ। ইণ্ডিয়ান অভাৰচিজ বেংকৰ ক্ষেত্ৰত ই ৯৬.৪ শতাংশ। আনহাতে, ইউকো' আৰু পঞ্জাৱ-সিন্ধ বেংকৰ ক্ৰমে ৯৫.৪ আৰু ৯৮.৩ শতাংশ ষ্টক ভাৰত চৰকাৰৰ হাতত আছে। চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি ৰয়টাৰে প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰই এই চাৰিটা চৰকাৰী বেংকৰ শ্বেয়াৰ বিক্ৰীৰ বাবে অফাৰত মুকলি বজাৰত বিক্ৰী কৰাৰ পৰিকল্পনা কৰিছে। কিন্তু কেতিয়া বিনিয়োগকাৰীয়ে ইয়াত বিনিয়োগ কৰিব পাৰিব সেয়া স্পষ্ট হোৱা নাই। শেহতীয়াকৈ এই চাৰিটা বেংকৰ শ্বেয়াৰৰ মূল্য তিনিৰ পৰা চাৰি শতাংশ বৃদ্ধি পাইছে। ষ্টক বিক্ৰীৰ খবৰৰ লগে লগে এই সূচকাংক আৰু অধিক বৃদ্ধি পাব বুলি বিত্তীয় বিশ্লেষকসকলে মত ব্যক্ত কৰিছে। বৰ্তমান কেন্দ্ৰীয় বেংকৰ ষ্টক ৫৬ টকা হৈ আছে আৰু ইণ্ডিয়ান অভাৰচিজ বেংকৰ শ্বেয়াৰ ক্ৰয় কৰিবলৈ খৰচ কৰিব লাগিব ৫৪ টকা। ইউকো' বেংকৰ প্ৰতিটো ষ্টকৰ মূল্য ৪৫ টকা। পঞ্জাৱ আৰু সিন্ধ বেংকৰ শ্বেয়াৰত বিনিয়োগ কৰিবলৈ ব্যয় কৰিব লাগিব ৫০ টকা। বিক্ৰীৰ বাবে অফাৰ দিয়াৰ সময়ত এই হাৰ কিমান বৃদ্ধি পায় সেয়া লক্ষণীয় হ'ব। খুচুৰা বিনিয়োগকাৰীয়ে ইয়াত বিনিয়োগ কৰিব পাৰিব বুলিও সূত্ৰই জনাইছে। ষ্টক মাৰ্কেট নিয়ন্ত্ৰক ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অৱ ইণ্ডিয়া তালিকাভুক্ত কোম্পানীসমূহত ২৫ শতাংশ ৰাজহুৱা শ্বেয়াৰহোল্ডিং বজাই ৰখাৰ পক্ষপাতী। চৰকাৰী মালিকানাধীন কোম্পানীসমূহৰ ক্ষেত্ৰত সংশ্লিষ্ট কেন্দ্ৰীয় প্ৰতিষ্ঠানসমূহে ২০২৬ চনৰ আগষ্ট পৰ্যন্ত এই নিয়ম শিথিল কৰিছে। অৱশ্যে এই সময়ছোৱাৰ ভিতৰত চৰকাৰী বেংকৰ ৰাজহুৱা শ্বেয়াৰহোল্ডিং কিমান বৃদ্ধি হ'ব সেয়া স্পষ্ট কৰা নাই চৰকাৰী সূত্ৰই। ছেবিয়ে দিয়া সময়সীমাৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব পৰা যাব নে নাই তাতো সন্দেহৰ সৃষ্টি হৈছে। তেনে ক্ষেত্ৰত সময়সীমা বৃদ্ধিৰ বাবে ছেবিলৈ আবেদন কৰিব পাৰিব। নাম প্ৰকাশ নকৰাৰ চৰ্তত বিত্ত মন্ত্ৰালয়ৰ এগৰাকী জ্যেষ্ঠ বিষয়াই কয়, 'বজাৰৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি চাৰিটা বেংকৰ অংশীদাৰিত্ব বিক্ৰীৰ সময় আৰু পৰিমাণ নিৰ্ণয় কৰা হ'ব। বিগত সময়ত চৰকাৰে চৰকাৰী বেংকৰ মূলধন বৃদ্ধিৰ বাবে যোগ্য প্ৰতিষ্ঠানিক প্লেচমেণ্ট প্ৰৱৰ্তন কৰিছিল। ফলত এনে বেংকত কেন্দ্ৰৰ অংশীদাৰিত্ব ক্ৰমান্বয়ে হ্ৰাস পাবলৈ আৰম্ভ কৰিছে। চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত পঞ্জাৱ নেচনেল বেংকে কিউআইপিৰ জৰিয়তে বজাৰৰ পৰা ৫০০০ কোটি টকা সংগ্ৰহ কৰিছিল। আনহাতে, অক্টোবৰ মাহত বেংক অৱ মহাৰাষ্ট্ৰৰ সংগ্ৰহৰ পৰিমাণ আছিল ৩৫০০ কোটি টকা। যোৱা জুলাই মাহত চাৰিটা চৰকাৰী বেংকৰ একত্ৰীকৰণৰ খবৰ বিয়পি পৰিছিল। এই তালিকাত নাম আছিল ইউকো' বেংক, চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া, পঞ্জাৱ আৰু সিন্ধ বেংক আৰু বেংক অৱ মহাৰাষ্ট্ৰ। বম্বে আৰু নেশ্যনেল ষ্টক এক্সচেঞ্জেও এই সন্দৰ্ভত ইউকো বেংকৰ পৰা স্পষ্টীকৰণ বিচাৰিছিল। সেই সময়ত ইউকো কৰ্তৃপক্ষই এই সন্দৰ্ভত এক বিবৃতি দিছিল। কোৱা হৈছে যে বেংক একত্ৰীকৰণৰ ভুৱা বাতৰি প্ৰচাৰ কৰা হৈছে। এই বিষয়টো চৰকাৰৰ। এই সন্দৰ্ভত বিত্ত মন্ত্ৰালয়ে কোনো নিৰ্দেশনা দিয়া নাই। কিন্তু এই বিবৃতিৰ পিছতো ইউকো বেংকৰ শ্বেয়াৰৰ মূল্য হ্ৰাস পায়। চলিত বৰ্ষৰ জুলাই পৰ্যন্ত অৱশ্যে সংশ্লিষ্ট বিত্তীয় প্ৰতিষ্ঠানটোৰ ষ্টকৰ মূল্য প্ৰায় ৩৭ শতাংশ বৃদ্ধি পাইছে। যোৱা এবছৰত ৯০ শতাংশতকৈ অধিক উৰ্ধমুখী গতি দেখা গৈছে।ইউকো' বেংকে অৱশ্যে পূৰ্বে কৈছিল যে ছিকিউৰিটিজ এক্টে নিৰ্ধাৰণ কৰা নূন্যতম ৰাজহুৱা শ্বেয়াৰহোল্ডিং নীতি পূৰণৰ বাবে বেংকটোৰ বিভিন্ন পৰ্যায়ত চৰকাৰৰ অংশীদাৰিত্ব ৯৫.৪ৰ পৰা ৭৫ শতাংশলৈ হ্ৰাস কৰাৰ লক্ষ্য লৈছে আৰু এই চৰকাৰী বেংকে অহা বছৰৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰিব। কোৱা হৈছে যে শ্বেয়াৰ বিক্ৰী হ'লেও চাৰিটা বেংকৰ গ্ৰাহকৰ ধন আৰু অন্যান্য বিনিয়োগ সুৰক্ষিত হ'ব। ইয়াৰ উপৰিও ঋণ লোৱাসকলৰ ইএমআই বা সুতৰ হাৰৰ কোনো পৰিৱৰ্তন নহ'ব। বিত্তীয় বিশ্লেষকৰ এটা অংশই দাবী কৰিছে যে ষ্টক বিক্ৰীৰ জৰিয়তে চৰকাৰী অংশীদাৰিত্ব হ্ৰাস পালেও চাৰিটা বেংক সম্পূৰ্ণৰূপে ব্যক্তিগতকৰণ কৰা হৈছে বুলি ক'ব নোৱাৰি। আনহাতে, ৰাজহুৱা শ্বেয়াৰ হোল্ডিঙৰ পৰিমাণ বৃদ্ধি কৰিলে ষ্টকত লাভৰ পৰিমাণ বৃদ্ধিৰ সম্ভাৱনা আছে।

# শদিয়াত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, ডুমডুমা, ১ ডিচেম্বৰঃ** তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ অন্তৰ্গত সাংবাদিকসকলৰ লগতে অৰুণাচল প্ৰদেশৰ টিৰাপ-চাংলাং জিলাৰ সাংবাদিকসকলক লৈ অহা ৩ জানুৱাৰীত চাংলাং জিলাৰ মেওঁত এক মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। শদিয়া প্ৰেছ ক্লাবৰ আতিথ্যত শদিয়া মহাবিদ্যালয়ত শনিবাৰে অনুষ্ঠিত হোৱা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ লগত সংগতি ৰাখি জাগুন প্ৰেছ ক্লাবৰ আতিথ্যত উক্ত দিনাৰ পুৱা ১০ বজাৰ পৰা দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানটোত দুয়োখন ৰাজ্যৰ সাংবাদিকৰ মত-বিনিময়ৰ লগতে গীত-মাত তথা সাংস্কৃতিক অনুষ্ঠানেৰে অনুষ্ঠানটি জীপাল হৈ উঠিব। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাতুল কলিতাৰ পৌৰহিত্যত অনুষ্ঠিত সভাখনত জাগুন প্ৰেছ ক্লাবৰ সভাপতি প্ৰাঞ্জল প্ৰতীম ভূঞাই এই অনুষ্ঠানটোৰে দুয়োখন ৰাজ্যৰ সাংবাদিকৰ মাজত ভাতৃত্ববোধ অধিক সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি কয়। জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজোতি নেওঁগে উদ্দেশ্য বাখ্যা কৰা, আতঁ ধৰা সভাখনত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাংগঠনিক বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰি সভাই সাংবাদিকসকলৰ ন্যায্য প্ৰাপ্যৰ দাবীত অতিশীঘ্ৰে এলানি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰো সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি জিলাখনৰ কেইবাটাও জ্বলন্ত সমস্যা সমাধানৰ দাবীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণৰ লগতে তিনিচুকীয়া জিলাত একাংশই যধে-মধে যান-বাহনত 'প্ৰেছ' লিখা বিষয়টো জিলা আয়ুক্তক দৃষ্টি আকৰ্ষণ কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাই স্মাৰক-পত্ৰ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত সংবিধান বিৰোধী কাৰ্যত জড়িতসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। উল্লেখ্য যে ১৯৭৫ চনৰ ৩০ নৱেম্বৰত তিনিচুকীয়া জিলাৰ কেইগৰাকীমান নমস্য সাংবাদিকৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে শদিয়া মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচী অনুসৰি পুৱা সন্থাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কাৰ্যসূচীৰ পিছতে শদিয়াভিত্তিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থলীতে বাতৰি লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে সাংবাদিকসকলৰ মাজত এক 'অন্তৰংগ আলাপ' অনুষ্ঠানো অনুষ্ঠিত হয়।

## বিজেপিয়ে এককভাৱে অৱতীৰ্ণ হ'ব পঞ্চায়ত নিৰ্বাচনত

# বঙাইগাঁৱত পঞ্চায়ত নিৰ্বাচনত অগপ-বিজেপিৰ মাজত নহয় মিত্ৰতা

**ই-সংবাদ, বঙাইগাঁও, ১ ডিচেম্বৰঃ** পঞ্চায়ত নিৰ্বাচনত বঙাইগাঁৱত অগপ আৰু বিজেপিৰ মাজত মিত্ৰতা নহয় । বিজেপিয়ে এককভাৱে অৱতীৰ্ণ হ'ব পঞ্চায়ত নিৰ্বাচনত । এই কথা সদৰি কৰিছে জিলা বিজেপিৰ সভাপতি উজ্জ্বল কান্তি ৰায়ে । দেওবাৰে সংবাদ মাধ্যমৰ আগত জিলা বিজেপিৰ সভাপতি গৰাকীয়ে কয় যে নিশ্চতভাৱে পঞ্চায়ত নিৰ্বাচনত বঙাইগাঁও জিলাত আমাৰ অগপৰে মিত্ৰতা নহয় । বিগত পঞ্চায়ত নিৰ্বাচনতো বঙাইগাঁও বিধানসভা সমষ্টিত বিজেপিয়ে অকলে প্ৰতিদ্বন্দ্বিতা কৰিছিল । দলৰ তৃণমূল পৰ্যায়ৰ পৰা জিলা পৰ্যায়লৈ সকলো কাৰ্যকৰ্তাই স্থানীয় পঞ্চায়ত নিৰ্বাচনত অকলে প্ৰতিদ্বন্দ্বিতা কৰাতো বিচাৰিছে আৰু জিলা সভাপতি হিচাপে মই নিজেও এই ক্ষেত্ৰত আগ্ৰহী । সেয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনত আমি অকলে প্ৰতিদ্বন্দ্বিতা কৰাৰ কাৰণে বৰ্তমানলৈকে সাজু হৈ আছোঁ । জিলা সভাপতি গৰাকীয়ে সমগ্ৰ বঙাইগাঁও জিলাতে পঞ্চায়ত নিৰ্বাচনত বিজেপি দলে এককভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি সদৰি কৰি ইতিমধ্যে সিদ্ধান্ত লোৱা বুলিও কয় । অৱশ্যে তথাপিতো এই সন্দৰ্ভত অচিৰেই জিলা সমিতিৰ বিষয়ববীয়া আৰু মণ্ডল সমিতিৰ বিষয়ববীয়াসকলৰ লগত বৈঠক অনুষ্ঠিত কৰি যি সিদ্ধান্ত হ'ব সেই মতে আগবাঢ়িব বুলি কয় । জিলা সভাপতি ৰায়ে কয় যে ৰাজ্যিক নেতৃত্ব আৰু মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে স্পষ্ট কৰি দিছে যে ৰাজ্যিক ভিত্তিত কোনো মিত্ৰতা নহয় । যদি প্ৰয়োজন থাকে তেতিয়াহলে ক্ষেত্ৰ ভিত্তিত অৰ্থাৎ জিলা পৰ্যায়ত যদি কোনেবা জিলাই বিচাৰে তেতিয়াহলে মিত্ৰদলৰ সৈতে মিত্ৰতা কৰিব পাৰিব । কিন্তু মিত্ৰতা সন্দৰ্ভত জিলা সমিতিয়ে ৰাজ্যিক নেতৃত্বক জনাব লাগিব আৰু আলোচনা কৰিব । কিন্তু জিলা বিজেপিৰ সভাপতি গৰাকীয়ে স্থানীয় নিৰ্বাচনত মিত্ৰতা নিবিচাৰে বুলি স্পষ্ট কৰি দিয়ে । ইপিনে অগপৰে মিত্ৰতা নহলে দুই দলৰ মাজত তিক্ততা হ'ব নেকি বুলি সাংবাদিকে সোধাত কয় যে মিত্ৰতা নহলে অগপৰে তিক্ততা নহয় । কাৰণ ইতিপূৰ্বে পৌৰসভা নিৰ্বাচনতো আমি এককভাৱে অৱতীৰ্ণ হৈছিলো । নিৰ্বাচনৰ পৰৱৰ্তী সময়ত আমি বিজেপি আৰু অগপ মিলি পৌৰসভা চলাই আছোঁ । গতিকে এই ক্ষেত্ৰত কোনো তিক্ততা অহাৰ সম্ভাৱনীয়তা নাই বুলিয়ে কয় । আনহাতে পঞ্চায়ত নিৰ্বাচনকলৈ বিজেপিৰ প্ৰস্তুতি ভালেই চলিছে বুলি কৈ কয় যে বিজেপিয়ে বুথ পৰ্যায়ত সাংগঠনিক কাম কাজ অব্যাহত ৰাখিছে । জিলা সভাপতি গৰাকীয়ে জিলাখনৰ ৬৫ খন গাঁও পঞ্চায়তৰ ভিতৰত গৰিষ্ঠ সংখ্যক পঞ্চায়তেই বিজেপিয়ে দখল কৰিব বুলিও আশাবাদী বুলি কয় । বঙাইগাঁও সমষ্টিৰ অধিকাংশ পঞ্চায়তেই পূৰ্বে অগপৰ দখলত আছিল যদিও এইবাৰ সদ্য অনুষ্ঠিত হৈ যোৱা উপ নিৰ্বাচনৰ পিছত বিজেপিৰ সাংগঠনিক স্থিতি বহুত শক্তিশালী হোৱা বুলি কয় । বিগত পঞ্চায়ত নিৰ্বাচনত দলে এখন পঞ্চায়ত দখল কৰাৰ লগতে বহুসংখ্যক সদস্য নিৰ্বাচিত হৈছিল । কিন্তু এইবাৰ বিজেপিয়ে ১৯ খন পঞ্চায়তৰ ভিতৰত দহখন পঞ্চায়ত যেনে তেনে দখল কৰাৰ বাবে সাংগঠনিকভাৱে প্ৰস্তুতি আৰম্ভ কৰা বুলি কয় ।



**গোগামুখত অনুষ্ঠিত হৈ থকা মিছিং কাৰ্ণিভেলত আছুৰ নেতৃত্ব, ফটো দেওবাৰৰ**

# বিশ্বনাথত সন্তানসহ মহিলা নিৰুদ্দেশ

**ই-সংবাদ, বিশ্বনাথ, ১ ডিচেম্বৰঃ** বিশ্বনাথৰ আমবাৰীত ভাৰাঘৰৰ পৰা দুই সন্তানসহ পত্নী নিৰুদ্দেশ হোৱাক লৈ এতিয়া হাহাকাৰ লাগিছে স্বামীৰ। উল্লেখ্য যে বিশ্বনাথ জিলাৰ অন্তৰ্গত ইটাখোলাৰ চুৰাপ আলী নামৰ লোকজন কৰ্মসূত্ৰে ইটানগৰত থাকে যদিও দুই সন্তানসহ পত্নীক ৰাখিছিল বিশ্বনাথৰ আমবাৰীস্থিত এটা ভাৰাঘৰত। বিগত প্ৰায় এমাহমানৰ পৰা চুৰাপ আলীৰ সৈতে পত্নীৰ কোনোধৰণৰ যোগাযোগ হোৱা নাই। আনকি মোবাইল ফোনো অফ কৰি ৰাখিছে চুৰাপ আলীৰ পত্নীয়ে। পত্নীৰ সৈতে যোগাযোগ বিচ্ছিন্ন হোৱাত চুৰাপ আলী ইটানগৰৰ পৰা বিশ্বনাথৰ আমবাৰীস্থিত ঘৰলৈ আহিবলগা হয় । ঘৰত পত্নীক দেখা নাপায় ভাৰাঘৰৰ মালিকক সোধা-পোছা কৰাত প্ৰকৃত কাৰণ স্পষ্ট হয় । ভাৰাঘৰৰ মালিকে জানিবলৈ দিয়া অনুসৰি তেওঁৰ পত্নীয়ে এখন বাহনত ঘৰৰ সকলো সামগ্ৰী লৈ ইতিমধ্যে ভাৰাঘৰৰ পৰা ওলাই গৈছে। পৰৱৰ্তী সময়ত চুৰাপ আলীয়ে সাম্ভাব্য বিভিন্ন স্থানত পত্নী আৰু সন্তানৰ সন্ধান কৰে যদিও এইপৰ্যন্ত পত্নী আৰু সন্তানৰ কোনো সন্ধান ওলোৱা নাই। চুৰাপ আলীৰ অভিযোগ যে তেওঁৰ পত্নীয়ে ইণ্ডুৰেঞ্চৰ প্ৰায় এক লাখ নগদ ধন, বেংকৰ পাছবুক আৰু বিভিন্ন লাগতিয়াল নথি-পত্ৰ লগত লৈ পলায়ন কৰিছে। চুৰাপ আলীয়ে পত্নীৰ নিৰুদ্দেশ সন্দৰ্ভত ইতিমধ্যে বিশ্বনাথ চাৰিআলি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আনহাতে মহিলাগৰাকীৰ সন্ধান পালে আৰক্ষী অথবা ৭০৯৯০৭৬৮৮ নম্বৰত যোগাযোগ কৰিবৰ বাবে আহ্বান জনাইছে চুৰাপ আলীয়ে।

# পুৰণিগুদাম প্ৰেছ ক্লাবৰ সাধাৰণ সভা আৰু দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, পুৰণিগুদাম, ১ ডিচেম্বৰ:**নগাঁও জিলাৰ পুৰণিগুদাম প্ৰেছ ক্লাবৰ সাধাৰণ সভা আৰু দ্বি-বাৰ্ষিক অধিৱেশনখন আজি পুৰণিগুদামত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়।পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জীতেন বৰকটকী। পুৰণিগুদাম প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক সীমান্ত কলিতাই উদ্দেশ্য আৰু ব্যাখ্যা কৰা সভাখনত নগাঁও প্ৰেছ ক্লাবৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক জীতেন বৰকটকীয়ে ভাষণ প্ৰসংগত পুৰণিগুদামৰ বৰেণ্য ব্যক্তিসকলৰ লগতে সাহিত্য সংস্কৃতি আৰু সংবাদ ক্ষেত্ৰখনত পুৰণিগুদামৰ অৱদান যথেষ্ট আছে বুলি উল্লেখ কৰাৰ লগতে সাংবাদিকসকলক উৎসাহিত কৰে। উক্ত সভাখনত নগাঁও প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক নীলোৎপল বৰা আৰু জ্যেষ্ঠ সাংবাদিক তপন কুমাৰ বৰা সভাত উপস্থিত থাকি সাম্প্ৰতিক সময়ত সাংবাদিকসকলৰ কৰ্মৰাজীৰ ওপৰত ভাষণ প্ৰদান কৰে।উক্ত সভাত জ্যেষ্ঠ সাংবাদিক নীলৰঞ্জন শৰ্মা, প্ৰমোদ কুমাৰ শৰ্মা আৰু হেমন্ত শইকীয়াই সমাজ জীৱনত সাংবাদিক সকলৰ কৰ্তব্য আৰু দায়িত্বৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰে।আজিৰ সভাত পুৰণিগুদাম প্ৰেছ ক্লাবৰ পুৰণি সমিতিখন ভঙ্গ কৰি এখন নতুন সমিতি গঠন কৰা হয়। পুৰণিগুদাম প্ৰেছ ক্লাবৰ নৱ-নিৰ্বাচিত সমিতিখনৰ সভাপতি তপন কটকী, কাৰ্যকৰী সভাপতি হেমন্ত শইকীয়া, উপ-সভাপতি প্ৰমোদ কুমাৰ শৰ্মা আৰু শ্যামেন্দ্ৰ বৈৰাগী, সাধাৰণ সম্পাদক সীমান্ত কলিতা,সহকাৰী সাধাৰণ সম্পাদক অভিজিৎ বৰা আৰু নৱজ্যোতি বৰুৱা,প্ৰচাৰ সম্পাদক জিতুমনি শইকীয়া, সাংস্কৃতিক সম্পাদক কাবুল কলিতা, বিত্ত সম্পাদক দিব্যজ্যোতি ভূঞা, কাৰ্যালয় সম্পাদক ধ্ৰুৱজ্যোতি গায়ন, আইনী উপদেষ্টা দীপক কুমাৰ ডেকাসহ এখন শক্তিশালী সমিতি গঠন কৰাৰ লগতে উপস্থিত সকলো সাংবাদিকক সদস্য হিচাপে সভাই অন্তৰ্ভুক্ত কৰে।



বাৰ্তালাপঃ বিধানসভাৰ চৌহদত সতীৰ্থৰ সৈতে বাৰ্তালাপত ব্যস্ত দুই মন্ত্ৰী

## জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাক আহ্বান সচেতন ৰাইজৰ

# জাগীৰোডৰ তিনিটা মথাউৰি শক্তিশালী ৰূপত গঢ়ি তোলাৰ আহ্বান

**ই-সংবাদ, মৰিগাওঁ, ১ডিচেম্বৰঃ** বান-গড়াখহনীয়াই দীৰ্ঘ দিনৰ পৰা জনজীৱন ব্যাহত কৰি কৰি অহা মৰিগাঁও জিলাৰ জাগীৰোড বিধান সভা সমষ্টিৰ তিনিটা বিশেষ মথাউৰি শীঘ্ৰে শক্তিশালী ৰূপত নিৰ্মাণ কৰি অনাগত সময়ত সাম্ভাব্য বিপদৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰক আহ্বান জনাইছে স্থানীয় ৰাইজে।সমষ্টিটোৰ বাঘৰা আৰু এজাৰবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত খণ্ডাজান বজাৰৰ পৰা আজাৰবাৰী বজাৰলৈ ৬৫০০মিটাৰ,ৰাধা কৃষ্ণ মন্দিৰ হৈ খাণ্ডাজান বিলাৰমুৰ কালভাৰ্টৰ পৰা চৰণ বিললৈ ২৫০০ মিটাৰ মথাউৰি তথা পথ আৰু চৰণ বিল চেনেলৰ পৰা কলবাৰীলৈ ৪৯০০মিটাৰ এগ্ৰি বাণ্ড শক্তিশালী ৰূপত গঢ়ি তুলিলে বাচনাঘাট,খান্দাজান,ঔজাৰী,শিঙিমাৰী,বাকাৰী চাপৰি, গুনামাৰা,বোৱালগুৰি,বিলৰমুৰ,বঘৰা,এজাৰবাৰী,তৰাণী কলবাৰীকে ধৰি বিস্তৰ্ণ অঞ্চল অনাগত সময়ত দুৰ্যোগৰ পৰা ৰক্ষা পৰিব।বানৰ আতংকত সুদীৰ্ঘ সময়ৰ পৰা ত্ৰাসি-মধুসূধন সুৱৰি অহা অঞ্চল বাসীয়ে এই সন্দৰ্ভত ক্ষিপ্ৰ ভাৱে পদক্ষেপ ল'বলৈ স্থানীয় বিধায়ক ৰাজ্যখনৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাক আহ্বান জনাইছে।

# জিজ্ঞাসা ফাউণ্ডেচন আৰু সেৱাৰ বস্ত্ৰ বিতৰণ

**ই-সংবাদ, নুমলীগড়, ১ ডিচেম্বৰঃ** জিজ্ঞাসা ফাউণ্ডেচন আৰু সেৱাৰ উদ্যোগত দেওবাৰে গোলাঘাট জিলাৰ নৈ পৰীয়া ৰাইজৰ মাজত বস্ত্ৰ বিতৰণ কৰা হয়। যোৱা এমাহ ধৰি বিভিন্ন জনৰ পৰা উন্নত মানৰ গৰম কাপোৰ সংগ্ৰহ কৰি থকা জিজ্ঞাসা ফাউণ্ডেচনৰ আৰু সেৱাৰ সদস্যসকলে প্ৰায় ৫০০ জন ব্যক্তিক বস্ত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানত জিজ্ঞাসা ফাউণ্ডেচনৰ ছাত্ৰ-ছাত্ৰী আৰু সেৱাৰ সদস্যসকলৰ লগতে সমাজ সচেতন ব্যক্তি ক্ষীৰোদ গগৈও উপস্থিত থাকে। এই কাৰ্যসূচীৰ সফলতা ৰূপায়ণৰ বাবে জিজ্ঞাসা ফাউণ্ডেচনৰ সভাপতি প্ৰণৱ শৰ্মাই সকলো সদস্যকে কৃতজ্ঞতা জনায়।

# মালিয়াটাত বাল্য বিবাহমুক্ত ভাৰত গঢ়াৰ সংকল্পৰে বিশেষ সভা

**ই-সংবাদ, মিৰ্জা, ১ ডিচেম্বৰঃ** কামৰূপ জিলাৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত মালিয়াটা গাঁও পঞ্চায়তত শুকুৰবাৰে বাল্য বিবাহমুক্ত ভাৰত গঢ়াৰ সংকল্পৰে বিশেষ সভা অনুষ্ঠিত হয় । বাল্য বিবাহমুক্ত ভাৰত গঢ়াৰ সংকল্পৰে কেন্দ্ৰীয় চৰকাৰে নতুন দিল্লীত আৰম্ভ কৰা দেশজোৰা 'বাল্য বিবাহমুক্ত ভাৰত' অভিযানৰ লগত সংগতি ৰাখি স্বেচ্ছাসেৱী সংস্থা অসম চেন্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেন্টৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসনৰ সহযোগত উক্ত সভাখনৰ আয়োজন কৰে। স্বেচ্ছাসেৱী সংস্থাটোৰ ৰাজ্যিক সমন্বয়ক অপূৰ্ব শৰ্মাই আঁতধৰা সভাখনত খণ্ড উন্নয়ন বিভাগৰ মৰমী গোস্বামী, সমাজ কল্যাণ বিভাগৰ গুলাশ্মীৰেখা বৰা, জিলা শিশু সুৰক্ষা সমিতিৰ সদস্য আদিত্য ৰাভাৰ উপৰি মালিয়াটা পঞ্চায়তৰ সচিব লীনা চৌধুৰী তথা পলাশবাৰী থানাৰ আৰক্ষী উপ-পৰিদৰ্শক বিশ্বজিৎ দাসকে ধৰি বিভিন্ন বিভাগৰ বিষয়ববীয়া উপস্থিত থাকে। আনহাতে, বিষয়ববীয়াসকলে নিজৰ ভাষণত সামাজিক মহাব্যাধিস্বৰূপ বাল্য বিবাহমুক্ত দেশ গঢ়াৰ ক্ষেত্ৰত ৰাইজক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায় । তদুপৰি এইক্ষেত্ৰত থকা আইন ব্যৱস্থাৰ লগতে ইয়াৰ সুযোগ গ্ৰহণ আৰু অধিকাৰ সম্পৰ্কে বিস্তাৰিতভাৱে আলোকপাত কৰে । উক্ত সভাতে কেন্দ্ৰীয় চৰকাৰে শুভাৰম্ভ কৰা বাল্য বিবাহমুক্ত অভিযানৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শনৰো ব্যৱস্থা কৰে সভাখনত। ইফালে স্বেচ্ছাসেৱী সংস্থাটোৰ কামৰূপ জিলা সমন্বয়ক মুস্তাফা আলীকে ধৰি কৰ্মকৰ্তাসকলে পৰিচালনা কৰা সভাখনৰ জৰিয়তে এখন ভাৰতক বাল্য বিবাহমুক্ত কৰি এখন সমৃদ্ধিশালী দেশ গঢ়াৰ লক্ষ্যৰে সমূহীয়াকৈ সংকল্প পাঠ কৰে।

## ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান

# ডিব্ৰুগড়ত সোণোৱাল কছাৰী কালচাৰেল ছ'চাইটীৰ পূৰ্ণাংগ সমিতি গঠন

**ই-সংবাদ, ডিব্ৰুগড়, ১ ডিচেম্বৰঃ** ডিব্ৰুগড়ত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অলপতে গঠিত হোৱা 'সোণোৱাল কছাৰী কালচাৰেল ছ'চাইটী' নামৰ সংগঠনটিৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। এই উপলক্ষে ডিব্ৰুগড়ৰ দুলীয়া-দাইনিজান বাইথ' মন্দিৰ প্ৰাংগণত জনজাতিটোৰ বিশিষ্ট ব্যক্তি শান্তনু দাস বৰহাজোৱালৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমিতিখনৰ পূৰ্ণাংগ ৰূপ প্ৰদান কৰি তিনিচুকীয়া নিবাসী অৱসৰপ্ৰাপ্ত উপায়ুক্ত ভুবন চন্দ্ৰ বড়াক অধ্যক্ষ আৰু টিংখাং অঞ্চলৰ চহৰীকটাৰ সাংস্কৃতিক কৰ্মী ভক্তি প্ৰসাদ সোণোৱালক মুখ্য সচিব, ডিব্ৰুগড় জামিৰাৰ কুলস্বামী লালোৱাৰী, বিহপুৰীয়াৰ যোগেশ্বৰ সোণোৱালক উপাধ্যক্ষ, বগীনদীৰ মজিন সোণোৱাল, ডাঙৰীৰ মণিকান্ত সোণোৱালক সচিব, ডিব্ৰুগড়ৰ অহিন্দ্ৰ শইকীয়াক বিত্ত সচিব, টেঙাখাতৰ ৰতন হাজৰিকাক মুখপাত্ৰ আৰু প্ৰচাৰ সচিব, ধমনৰ হৰেন ডেকাবৰুৱা, ধেমাজিৰ ৰূপজ্যোতি বৰুৱা, বামৰজাবাৰীৰ দীপ দিহিং কছাৰী, ডাঙৰীৰ বিকাশ সোণোৱাল, ডিৰাকৰ মানৱ সোণোৱাল, গোলাঘাটৰ লীলা সোণোৱাল, বিহপুৰীয়াৰ তোলন সোণোৱালক সাংগঠনিক সচিবসহ ৪১ জনীয়া সদস্যৰ অন্তৰ্ভুক্ত কৰা হয়। সমিতিয়ে অহা ২২ ডিচেম্বৰত জনজাতিটোৰ ডাঙৰীস্থিত মূল বাইথ' মন্দিৰত শপত গ্ৰহণ কৰিব। পৰিষদৰ সাংস্কৃতিক বিভাগৰ কাৰ্যবাহী সদস্য ৰিদীপ হাজৰিকাই আঁতধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কাৰ্যবাহী সদস্য বসন্ত সোণোৱালে। সভাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে অসমৰ অন্য জনজাতিৰ তুলনাত সোণোৱালৰ কৃষ্টি-সংস্কৃতিৰ যি চহকী ৰূপ সেয়া এই সংগঠনটোৱে জনমানসত তুলি ধৰাৰ লগতে বিশ্ব দৰবাৰলৈ আগবঢ়াই নিব বুলি আশা প্ৰকাশৰ লগতে চলিত বৰ্ষৰ ডিচেম্বৰ মাহৰ ভিতৰতে সংগঠনটোলৈ পৰিষদে জমা কৰি ৰখা 'ক'পাছ ফাণ্ড'ৰ প্ৰথম কিস্তি হিচাপে এক কোটি টকা আৰু অহা মাৰ্চ মাহত দুই কোটি টকা প্ৰদান কৰা হ'ব বুলি ভাষণত উল্লেখ কৰে। সভাত জনজাতিটোৰ বিশিষ্ট ব্যক্তি তথা মূল বাইথ' মন্দিৰৰ প্ৰাক্তন মজিন্দাৰ প্ৰমোদ চন্দ্ৰ সোণোৱাল, সাংস্কৃতিক কৰ্মী লীলা হাজৰিকাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। সভাত সদৌ অসম সোণোৱাল কছাৰী কল্যাণ সংঘৰ সম্পাদক যুগল ফৰমালৰ লগতে অন্যান্য সংগঠনসমূহৰ শীৰ্ষ নেতৃত্ব আৰু পৰিষদৰ কাৰ্যবাহী সদস্য ঋষিকেশ শইকীয়া, খনিন্দ্ৰ সোণোৱালকে ধৰি নৱগঠিত সংগঠনটোৰ নিৰ্বাচিত সদস্যসকল উপস্থিত থাকে। উক্ত সভাতেই পৰিষদৰ তৰফৰ পৰা সংগঠনটোক আনুষ্ঠানিকভাৱে দায়িত্বভাৰ প্ৰদানৰ লগতে নথিপত্ৰ হস্তান্তৰ কৰে। উল্লেখ্য যে উজনি অসমৰ ৯ খন জিলাৰ সাংস্কৃতিক জগতৰ সহস্ৰাধিক লোকৰ লগতে সোণোৱাল কছাৰী জনজাতিৰ সংগঠন ক্ৰমে ছাত্ৰ সন্থা, কল্যাণ সংঘ, সাহিত্য সভা, জাতীয় পৰিষদ, যুৱ পৰিষদৰ নেতা-কৰ্মী আৰু পৰিষদৰ কাৰ্যবাহী আৰু সাধাৰণ সদস্যৰ উপস্থিতিত ৩ নৱেম্বৰত ডিব্ৰুগড়ত অনুষ্ঠিত উক্ত অভিৱৰ্তনত সংগঠনটোৰ কেৱল অধ্যক্ষ আৰু মুখ্য সচিবক নিৰ্বাচন কৰা হৈছিল।

# মৰিগাঁৱত বিশ্ব এইডছ দিৱস পালন

**ই-সংবাদ, মৰিগাঁও, ১ ডিচেম্বৰঃ** অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতি, মৰিগাঁও জিলা স্বাস্থ্য সমিতি আৰু মহিলা মেহফিল, মৰিগাঁৱৰ যৌথ উদ্যোগত দেওবাৰে বিশ্ব এইডছ দিৱস পালন কৰা হয়। মহিলা মেহফিল, মৰিগাঁৱৰ কাৰ্যালয়ত ইয়াৰ উপলক্ষে দুপৰীয়াৰ ভাগত 'Take the Right Path-My Health My Right' শীৰ্ষক এখনি সজাগতা সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলা সাংবাদিক সন্থাৰ সভাপতি ড° বিৰিঞ্চি কুমাৰ শৰ্মাৰ সভাপতিত্বত হোৱা এই সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, জিলা এইডছ বিষয়া ডা° অমৰজ্যোতি ডেকা, মহিলা মেহফিল মৰিগাঁৱৰ সচিব ওৱাহিদা ৰহমান আৰু সমাজ সেৱিকা জান্তি পাটগিৰিয়ে গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। এই সভাত নাইটিংগেল ইনষ্টিটিউট অৱ নাৰ্ছিঙৰ বিষয়ববীয়া জয়ন্ত ভৰালী, সমাজ কৰ্মী অলিৰাধা ভাগৱতী, বনশ্ৰী গোস্বামী, যুৱ সাংবাদিক মৃদু কলিতা, দীপাংকৰ নাথকে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে। উল্লেখ্য যে পুৱাৰ ভাগত উক্ত বিষয়বস্তু সন্দৰ্ভত এক সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰা মুকলি কৰে জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডা° অৰুণ কুমাৰ নাথে।

# বিলাসীপাৰাত এমজিএনৰেগা আঁচনিৰ ৰাস্তাৰ কামত দুৰ্নীতি, অভিযোগ দাখিল

**ই-সংবাদ, বিলাসীপাৰা, ১ ডিচেম্বৰঃ** বিলাসীপাৰাত সমজিলাৰ অন্তৰ্গত নায়েৰ আলগা গাঁও পঞ্চায়তৰ নায়েৰ আলগা ৩য় খণ্ড গাঁৱত এমজিএনৰেগা আঁচনিৰ কামত ব্যাপক দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে গাঁওখনত বাস কৰা আলতাপ আলীৰ ঘৰৰ পৰা আব্দুল মজিদৰ ঘৰলৈ যোৱা ৰাস্তাৰ বাবদ ৩৭,৯০,৮২১ টকা আৰু সুজাল হকৰ ঘৰৰ পৰা আব্দুৰ ৰশিদৰ ঘৰ হৈ ছামছুল হকৰ ঘৰ লৈ যোৱা ৰাস্তাৰ বাবদ ৩৩,৮৪,২১৩ টকা চৰকাৰে আবণ্টন দিছে যদিও নাম মাত্ৰ কাম কৰি সমুদায় ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈছে। এইক্ষেত্ৰত নায়েৰ আলগা উন্নয়ন খণ্ড কাৰ্যালয়ত অভিযোগ দাখিল কৰা হৈছে যদিও নায়েৰ আলগা খণ্ড উন্নয়ন বিষয়াই বিষয়টোৰ সন্দৰ্ভত কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন হৈছে। শেহতীয়াকৈ এই অনিয়মৰ বিৰুদ্ধে কুৰান আলী নামৰ এজন ব্যক্তিয়ে বিলাসীপাৰা সমজিলা আয়ুক্তৰ ওচৰত তদন্ত বিচাৰি লিখিত অভিযোগ দাখিল কৰিছে।

# নগাঁও জিলা সাহিত্য সভাৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ১ ডিচেম্বৰঃ** নগাঁও জিলা সাহিত্য সভাৰ ২০২৩-২৫ কাৰ্যকালৰ পঞ্চম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা দেওবাৰে জাজৰি আঞ্চলিক শতদল শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত পি এম শ্ৰী জাজৰি উচ্চতৰ মাধ্যমিক আদৰ্শ বিদ্যালয়ত সম্পন্ন হয়। সেই অনুসৰি পুৱা জিলাৰ সভাপতি থগিত মহন্তৰ দ্বাৰা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে স্মৃতি তৰ্পন বেদীত পুষ্পাঞ্জলি আগবঢ়াই নগাঁও চৰকাৰী পেঞ্চন সন্থাৰ উপদেষ্টা মহেন্দ্ৰ মহন্ত আৰু শিক্ষাবিদ জীৱন ৰাম বৰাই। দুপৰীয়া জিলাৰ সভাপতি থগিত মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা পঞ্চম কাৰ্যনিৰ্বাহক সভাখনৰ আৰম্ভণিতে জাজৰি আঞ্চলিক শতদল শাখা সাহিত্য সভাৰ সভাপতি নৰেন ডেকাই আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ পিছতে জিলা সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। ইফালে, সভাত বিগত তিনিমাহৰ আয়-ব্যয়ৰ হিচাপ দাখিল কৰে কোষাধ্যক্ষ কুমদ বৰাই। নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি উপেন চন্দ্ৰ বৰাই মূল সভাখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। জিলা সম্পাদক ৰেৱত কুমাৰ হাজৰিকা আৰু জাজৰি আঞ্চলিক শাখা সাহিত্য সভাৰ সম্পাদক জাহিদুৰ ৰহমানে আঁত ধৰা সভাখনত প্ৰাক্তন জিলাৰ সভাপতিদ্বয় পৰাণ কুমাৰ বৰুৱা আৰু ৰতিমোহন নাথ, প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আবুল খায়েৰ আহমেদে, প্ৰাক্তন সম্পাদক শৰৎ শইকীয়া, জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰশ্মিৰেখা বৰা, নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মৃগাংক বৰা, প্ৰচাৰ সম্পাদকদ্বয় মিণ্টু দাস, কল্যাণ কুমাৰ বৰা, কাৰ্যনিৰ্বাহক সদস্য প্ৰদীপ কুমাৰ শইকীয়া, নবীন বৰঠাকুৰ, ত্ৰিদিপ লস্কৰ, নজিবুৰ ৰহমান, দিলীপ কুমাৰ বৰা, লক্ষ্যধৰ তালুকদাৰ, খগেন নাথ, ৰেৱকান্ত দাস, ভবেন বৰা, উৎপল বৰা, খগেন নাথ, চফিকুল হক, প্ৰভাত বৰা, মিজামল হুচেইন, ইমদাদুৰ ৰহমান, চফিউৰ ৰহমান, শৰৎ গোস্বামীকে ধৰি বিভিন্ন শাখাৰ সভাপতি, সম্পাদকসকলে অংশগ্ৰহণ কৰে। উক্ত সভাতে আগন্তুক নগাঁও জিলা সাহিত্য সভাৰ অধিৱেশনখন কলিয়াবৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

# মৰিগাঁৱৰ ১০২ বছৰীয়া ধৰ্মপ্ৰাণ মহিলা অকন বৰাৰ মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ১ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ বৰঙাবাৰীৰ সমীপৰ্বতী কোমোৰাগুৰি গাঁৱৰ ধৰ্মপ্ৰাণ মহিলা অকন বৰাৰ শনিবাৰে পুৱা নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০২ বছৰ। সৰবৰাহী মহিলাগৰাকীৰ মৃত্যুত কোমোৰাগুৰি অঞ্চলৰ লগতে বৃহত্তৰ বৰঙাবাৰী অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, ৪ গৰাকী জীয়ৰীক ইহ সংসাৰত এৰি থৈ যায়।

# বালাজানত গৰু চোৰক আটক কৰিবলৈ গৈ পিতন খালে আৰক্ষীয়ে

**ই-সংবাদ, গোলকগঞ্জ, ১ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ বালাজান বজাৰত দেওবাৰে পুৱা চোৰাং গৰু কঢ়িওৱা বাহনে পলায়নৰ চেষ্টা চলাই গছত খুন্দা মৰাৰ পিছতে তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। ক্ষুব্ধ ৰাইজে গো-ধন সৰবৰাহকাৰীৰ লগতে আৰক্ষী বিষয়াকো মাৰপিট কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, পশ্চিমবংগৰ পৰা AS 01EC 0514 নম্বৰৰ বলেৰ' পিকআপ ভেনখন ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৌৰীপুৰ অভিমুখে গৈ আছিল। গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ থানাৰ সহকাৰী উপ-পৰিদৰ্শক সোনা উদ্দিন মল্লিকে আৰক্ষীৰ দল লৈ বাহনখন খেদি যায়। আৰক্ষীৰ চকুত ধূলি দিবলৈ চেষ্টা কৰোঁতেই চোৰাং গৰু কঢ়িওৱা বাহনখনক আগভেটা দিয়ে বালাজান আৰক্ষীয়ে। তীব্ৰবেগত পলায়ন কৰা বাহনখনৰ চালকে আগফালে আৰক্ষীৰ দল প্ৰত্যক্ষ কৰি নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ গছত খুন্দা মাৰে। স্থানীয় ৰাইজে ক্ষুব্ধ হৈ বাহনত থকা দুই সৰবৰাহকাৰীক মাৰপিট কৰে। গৰু চোৰক ধৰিবলৈ সাধাৰণ পোছাকত যোৱা বালাজান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াকো ক্ষুব্ধ ৰাইজে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাস্থলীত গোলকগঞ্জ আৰু বালাজান আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে দুই সৰবৰাহকাৰীক আটক কৰে। আটকাধীন দুই সৰবৰাহকাৰী পশ্চিমবংগৰ বক্সিৰহাট থানাৰ লাউকুঠীৰ মমিনুৰ আলী আৰু গৌৰীপুৰ বৰাইবাৰীৰ ইনজামামুল হক বুলি জানিব পৰা গৈছে। ইপিনে আৰক্ষীক আক্ৰমণৰ অপৰাধত স্থানীয় বজলুল হক নামৰ এজন যুৱককো আৰক্ষীয়ে আটক কৰে।




চতুৰ্থ মৰাণ গ্ৰন্থমেলাত বিশিষ্ট সাংবাদিক তথা উদ্যোগী মনোৰম গগৈ, ফটো দেওবাৰৰ

# গোলকগঞ্জত দমকল চোৰক আটক

**ই-সংবাদ, গোলকগঞ্জ, ১ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিৰাট নগৰ চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ দমকল চুৰি কৰিবলৈ লওঁতেই চোৰক হাতে-লোটে ধৰিলে ৰাইজে। দেওবাৰে দুপৰীয়া দমকল চোৰক ৰাইজে হাতে-লোটে ধৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বিৰাট নগৰ চাৰিআলিৰ উপকণ্ঠ এলেকাত বৃদ্ধি পাইছে ড্ৰাগছৰ বেহা। আৰক্ষীৰ হাতত আটক হৈছে ড্ৰাগছ সৰবৰাহকাৰীৰ লগতে সেৱনকাৰী। ড্ৰাগছ আসক্তৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবেই বিভিন্ন প্ৰতিষ্ঠান আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰিকাণ্ডৰ ঘটনা বৃদ্ধি পাইছে। দেওবাৰে দুপৰীয়া বিদ্যালয়খনৰ দমকল চুৰি কৰিবলৈ লোৱাৰ সময়তে স্থানীয় ৰাইজে হাতে-লোটে আটক কৰে এজন যুৱকক। যুৱকজন টোকৰেৰছৰা প্ৰথম খণ্ড গাঁৱৰ ৰাজু মণ্ডল বুলি চিনাক্ত কৰা হৈছে। অৱশ্যে চুৰিকাণ্ডত জড়িত আন এজন যুৱক পলাবলৈ সক্ষম হয়। ধৃত যুৱকজনে ৰাইজৰ আগত দিয়া স্বীকাৰোক্তি মতে তেওঁ ইয়াৰ পূৰ্বেও খেতি-পথাৰত পানী দিয়া পাৰাৰ পাম্পকে ধৰি অঞ্চললটোৰ বিভিন্ন চুৰিকাৰ্যৰ লগত জড়িত আছিল। পৰৱৰ্তী সময়ত ধৃত ৰাজু মণ্ডলক আৰক্ষীক গতাই দিয়ে ৰাইজে।

# শিক্ষক দেৱেন্দ্ৰ ঠাকুৰৰ আকস্মিক বিয়োগ

ই-সংবাদ, বাইহাটা চাৰিআলি, ১ ডিচেম্বৰঃ হিমাচল প্ৰদেশৰ শিক্ষক দেৱেন্দ্ৰ ঠাকুৰৰ আকস্মিক বিয়োগত গভীৰ শোকৰ ছাঁ পেলাইছে । ২৫ নৱেম্বৰৰ নিশা অকাল মৃত্যুক সাৱটি লয় শিক্ষকজনে। ১৯৯৯-২০০০ শিক্ষাবৰ্ষত বাইহাটা চাৰিআলি বি.এড মহাবিদ্যালয়ৰ শিক্ষাৰ্থী আছিল তেওঁ। পেচাত এগৰাকী শিক্ষক ঠাকুৰ যোৱা ২৪ অক্টোবৰত বিশেষ শৈক্ষিক কৰ্মশালাত যোগ দিয়াৰ উদ্দেশ্যে গুৱাহাটীলৈ আহিছিল। দুখজনকভাৱে ঠাকুৰে ২৫ নৱেম্বৰৰ নিশা বিচনাতে অকাল মৃত্যুক সাৱটি লয়। অসমক অতি আপোন জ্ঞান কৰা ঠাকুৰে বাইহাটা চাৰিআলি বি.এড মহাবিদ্যালয়ৰ শিক্ষাৰ্থী হেমলতা দেৱীৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। বি.এড পাঠ্যক্ৰমৰ সময়ত ভাস্কৰ জ্যোতি কলিতা (প্ৰয়াত থানেশ্বৰ কলিতা)ৰ ঘৰত থাকি শিক্ষাগ্ৰহণ কৰিছিল দেৱেন্দ্ৰ ঠাকুৰে। তেওঁৰ পত্নী হেমলতা দেৱীক ভাস্কৰ কলিতাৰ পিতৃ থানেশ্বৰ কলিতাই নিজৰ জীয়াৰীৰ মান্যতা দি দেৱেন্দ্ৰ ঠাকুৰৰ লগত সামাজিকভাৱে বিয়া কৰাই দিছিল। সেই সূত্ৰে দেৱেন্দ্ৰ ঠাকুৰৰ বাইহাটা চাৰিআলিৰ সৈতে আছিল এক ঘনিষ্ঠ সম্পৰ্ক। এইগৰাকী দেৱেন্দ্ৰ ঠাকুৰৰ নিথৰ দেহ কৰ্মশালা অনুষ্ঠিত কৰা প্ৰতিষ্ঠানটিৰ সহায়ত বিমানযোগে স্বগৃহলৈ পঠোৱাৰ ব্যৱস্থা কৰে ভাস্কৰ কলিতা, অশোক শৰ্মা প্ৰমুখ্যে ঠাকুৰৰ একাংশ শোভাকাংক্ষীয়ে । বাইহাটা চাৰিআলি বি.এড মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী ঠাকুৰৰ মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে বাইহাটা চাৰিআলি ৰুৰেল লাইব্ৰেৰী, সাহিত্য সভা, বিএড মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, বেজেৰা মণ্ডল বিজেপিকে ধৰি বাইহাটা চাৰিআলিৰ বিভিন্ন দল-সংগঠনে।

# আশাজ্যোতিৰ উদ্যোগত বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, দুমুনিচকী, ১ ডিচেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰৰ ঘোঁৰাবান্ধাস্থিত অন্যতম স্বেচ্ছাসেৱী সামাজিক অনুষ্ঠান আশাজ্যোতিৰ উদ্যোগত জিলা সমাজ কল্যাণ বিভাগ আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সহযোগত ত্ৰয়োদশ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ২ আৰু ৩ ডিচেম্বৰত প্ৰতিবন্ধী দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। দিনযোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে আশাজ্যোতিৰ কাৰ্যালয়ত অনুষ্ঠিত হ'বলগা প্ৰতিবন্ধী দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে । অনুষ্ঠানত উপস্থিত থাকিব জিলা সমাজ কল্যাণ বিষয়া, জিলা আইন সেৱা প্ৰাধিকাৰী সচিব, ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়া, এচ আৰ ডি গ্ৰুপৰ উপাসনা ডেকাৰ লগতে কেইবাগৰাকী বিশিষ্ট অতিথি । ইফালে আশাজ্যোতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন চিত্ৰাংকন, খেল-ধেমালিৰ, গীত-নৃত্য আয়োজন কৰা হৈছে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে আশাজ্যোতিৰ কাৰ্যবাহী সঞ্চালক জিয়াউৰ ৰহমানে।



চামগুৰিৰ বিধায়ক দীপ্লু ৰঞ্জন শৰ্মাক সম্বৰ্ধনা যুৱ মৰ্চা অসম প্ৰদেশৰ, ফটো দেওবাৰৰ

# আমলক্ষি মণ্ডল কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি হিচাপে ফকৰ উদ্দিনক নিযুক্তি

**ই-সংবাদ, বেবেজীয়া, ১ ডিচেম্বৰঃ** বটদ্ৰৱা ব্লক কংগ্ৰেছ কমিটিয়ে দেওবাৰে আমলক্ষি মণ্ডল কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি হিচাপে ফকৰ উদ্দিন আৰু সাধাৰণ সম্পাদক হিছাপে মস্তফা কামালক নিযুক্তি দিয়ে। ধিঙৰ ৰাজীৱ ভৱনত বটদ্ৰৱা ব্লক কংগ্ৰেছৰ সভাপতি নুৰুল আমিনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত দুয়োকে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। উক্ত সভাত বটদ্ৰৱা ব্লক কংগ্ৰেছৰ উপ-সভাপতি জামাদুৰ ৰহমানকে আদি কৰি আমলক্ষি পঞ্চায়তৰ প্ৰায় পাঁচ শতাধিক কংগ্ৰেছৰ দলীয় কৰ্মী উপস্থিত থাকে।

# বঙাইগাঁৱত অৱসৰৰ দিনাই শিক্ষকক পেঞ্চনৰ নথি পত্ৰ প্ৰদান

**ই-সংবাদ, বঙাইগাওঁ, ১ডিচেম্বৰঃ** বঙাইগাঁৱৰ বিদ্যালয় সমূহৰ উপ পৰিদৰ্শকৰ কাৰ্যালয়ৰ অধীনস্থ বিদ্যালয়ৰ পৰা শনিবাৰে অৱসৰ গ্ৰহণ কৰা তিনিগৰাকী শিক্ষকক অৱসৰ গ্ৰহণৰ দিনাই পেঞ্চনৰ নথিপত্ৰ প্ৰদান কৰা হয় । এই উপলক্ষে বঙাইগাঁৱৰ বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক দেৱান আব্দুৰ ৰহমানৰ বলিষ্ঠ পদক্ষেপ আৰু সভাপতিত্বত তথা বঙাইগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহযোগত বঙাইগাঁও নৰ্মাল স্কুলত অনুষ্ঠিত অনুষ্ঠানত বঙাইগাঁও সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দীপ্তিময়ী চৌধুৰীও উপস্থিত থাকে । এই উপলক্ষে আয়োজিত সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ক্ৰমে ৰাম প্ৰসাদ উপাধ্যায়, সুমিত্ৰা সিংহ আৰু খৰ্গ বাহাদুৰ চেত্ৰীক বিদায়ী সম্বৰ্ধনা জনোৱাৰ লগতে অৱসৰ গ্ৰহণ কৰাৰ দিনাই পেঞ্চনৰ নথিপত্ৰ প্ৰদান কৰা হয় । অৱসৰপ্ৰাপ্ত শিক্ষক তিনি গৰাকীক বিধায়িকা দিপ্তীময়ী চৌধুৰী আৰু বিদ্যালয় সমূহৰ পৰিদৰ্শক পল্লবী মেধিয়ে পেঞ্চনৰ নথি পত্ৰসমূহ প্ৰদান কৰে । ইপিনে সভাত নিজৰ ভাষণত বিধায়িকা চৌধুৰীয়ে কয় যে আজিৰ দিনটো মোৰ কাৰণে বিশেষ দিন । মইও শিক্ষক হিচাপে এনেকুৱা অৱসৰ গ্ৰহণৰ দিন এটা পাৰ কৰি আহিছোঁ । অৱসৰ গ্ৰহণৰ দিনটোত মোৰো খুব বেয়া লাগিছিল । যেতিয়া বিদ্যালয়ৰ পৰা বিদায় দিছিল তেতিয়া মোৰ চকুৰ পানী ওলাই গৈছিল । কিন্তু এই বেয়ালগাটোক আমি ভাললগা কৰিব লাগিব । শিক্ষক এজনে বিদায় লোৱা মানে বিদ্যালয়ৰ পৰাহে বিদায় লোৱা । শিক্ষাৰ পৰা তেওঁৰ কেতিয়াও বিদায় নহয় । সেইটো তেওঁৰ গোটেই জীৱনজুৰি লগত থাকিবই । তেওঁ চৰকাৰে অৱসৰৰ দিনাই পেঞ্চনৰ নথি- পত্ৰ লাভ কৰা ব্যৱস্থা কৰাটো ভাল কথা হোৱা বুলি কৈ অৱসৰপ্ৰাপ্ত শিক্ষক তিনিও গৰাকীৰ সুস্বাস্থ্য কামনা কৰে । লগতে কয় যে মই নিজেই শিক্ষক আছিলো । সেয়ে শিক্ষকে শিক্ষকক কোৱাটো থিক নহয় । সকলোৱে কথাবোৰ



জানেই । গতিকে আগন্তুক দিনবোৰত শিক্ষকসকলৰ হে কাম কৰিবলৈ চেষ্টা কৰি যাব বুলিও কয় । উল্লেখ্য যে সভাত বঙাইগাঁও হাইস্কুল শিক্ষক সন্থা, বঙাইগাঁও মধ্য ইংৰাজী শিক্ষক সন্থা, উত্তৰ শালমাৰা প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয় ববীয়া সকল উপস্থিত থকা সভাত বঙাইগাঁৱৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক পল্লবী মেধিয়ে অনাগত দিনত শিক্ষক- কৰ্মচাৰী সকলক এনে কাৰ্য অব্যাহত ৰাখিব বুলি আশা ব্যক্ত কৰে ।

# পূৰ্বাঞ্চলৰ তাই সাহিত্য সভাৰ অধিৱেশনৰ স্মৃতিগ্ৰন্থলৈ লেখা আহ্বান

**ই-সংবাদ, মৰিয়নি, ১ ডিচেম্বৰঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী চেলেংহাটত ২৭, ২৮, ২৯ ডিচেম্বৰত অনুষ্ঠিত হ'ব লগা পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ ৪১ সংখ্যাক দ্বিবাৰ্ষিক অধিৱেশনৰ পূৰ্ণ প্ৰস্তুতি চলিছে। উক্ত অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থৰ বাবে নবীন-প্ৰবীণ লেখক-লেখিকাৰ পৰা লেখা আহ্বান কৰিছে স্মৃতিগ্ৰন্থ উপ-সমিতিয়ে। স্মৃতিগ্ৰন্থৰ বাবে বুৰঞ্জীমূলক বা তাই জনজাতিৰ লগত সংগতি থকা গৱেষণামূলক, সাংস্কৃতিক, পৰম্পৰা ভিত্তিক, ভ্ৰমণমূলক, আৰ্থসামাজিক দিশৰ উন্নয়নৰ আলোচনামূলক, কবিতা, বুৰঞ্জীমূলক গল্প আদি প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ইংৰাজী, অসমীয়া আৰু তাই আহোম এই তিনিওটা ভাষাত প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ মৌলিক হোৱাটো বাঞ্ছনীয়। সহায় লৈ লিখা লেখাৰ ক্ষেত্ৰত প্ৰসংগ পুথিৰ নাম উল্লেখ কৰিব লাগিব। লেখাসমূহ প্ৰেৰণ কৰিবলৈ অহা ১০ ডিচেম্বৰৰ ভিতৰত dharitrigogoi385@gmail.com নাইবা ৯৩৬৫৪৩৩০৫৮ নম্বৰত আৰু তাই আহোম ভাষাৰ বাবে ৯১০১০০৫৬০৭ নম্বৰত যোগাযোগ কৰিব লাগিব। ইয়াৰ লগতে সভাৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'ব লগা জনজাতীয় খাদ্য মেলা, সাজপাৰ আৰু গ্ৰন্থমেলাৰ বিপণীৰ বাবেও ইচ্ছুকসকলে উক্ত নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# বেছিমাৰীত ৮৮ ব্যৱসায়ীলৈ উচ্ছেদৰ জাননী

**ই-সংবাদ, দলগাওঁ, ১ ডিচেম্বৰঃ** দৰং জিলাৰ ভিতৰত আটাইতকৈ ব্যস্ততম গড়কাপ্তানি পথ বেছিমাৰী-দৈপাম সংযোগ পথ। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ওলোৱা পথটোৱে দৈনিক কেবাহাজৰ গাড়ী, আৰু সাধাৰণ লোকৰ যাতায়ত হোৱাত ব্যস্ততাপূৰ্ণ পথটোৱে স্কুলীয়া-ছাত্ৰ ছাত্ৰীক বাৰুকৈয়ে যন্ত্ৰণা দি আহিছে। বেছিমাৰী পাইকাৰী পাচলি বজাৰলৈ দৈনিক হাজাৰ হাজাৰ কৃষকৰ আগমণৰ ফলত ঠেক ৰাস্তাত তীব্ৰ যানজঁট সৃষ্টি হৈছে। পথটো বহলিকৰণৰ বাবে স্থানীয় ৰাইজ, দল সংগঠণে জনোৱা দাবীৰ প্ৰতি সঁহাৰি জনাই দলগাওঁ ৰাজহ চক্ৰ বিষয়াই ৰাস্তাটোৰ দুয়োকাষে থকা গড়কাপ্তানি বিভাগৰ মাটি বেদখল কৰি দোকান ভেটি নিৰ্মাণ কৰা ৮৮ জনকৈ ব্যৱসায়িক ৫ ডিচেম্বৰৰ ভিতৰত উক্ত ঠাই খালি কৰিবলৈ নিৰ্দেশ দিয়াত ব্যৱসায়ী সকলৰ মাজত হাহাকাৰ লাগিছে। একাংশ দোকানীয়ে দোকানৰ বাৰান্দা ভাঙিছে যদিও গড়কাপ্তানি বিভাগৰ উপস্থিতিত চক্ৰ বিষয়াই জোখমাখ কৰা ঠাই মুকলি নকৰাকৈ কেৱল বাৰান্দা ভঙাক লৈ আপত্তি দল সংগঠণৰ। দৰং জিলা আমছুৰ সভাপতি মাহবুবুল আলমে আক্ষেপ প্ৰকাশ কৰি কয়- কিছুমান লোকে ব্যক্তিস্বাৰ্থক অগ্ৰাধিকাৰ দি বৃহত্তৰ স্বাৰ্থৰ প্ৰতি পিঠি দিছে যাৰ বাবেই পথ বহলিকৰণত বিলম্ব হৈছে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক মজিবুৰ ৰহমানৰ ভূমিকা সন্দেহজনক বুলি দাবী কৰে ছাত্ৰ নেতাজনে। তেওঁ কয়- দৈপাম-বেছিমাৰী সংযোগী পথ বহলিকৰণৰ কাম চলি থকা সময়তো যদি বেছিমাৰী বজাৰ এলেকাৰ বেদখলকৃত মাটিত উচ্ছেদ কৰা নহয়, তেন্তে যানজঁটৰ সমস্যাই আগলৈ আৰু অধিক ভয়াবহ ৰূপ ধাৰণ কৰিব। প্ৰশ্ন হৈছে- প্ৰশাসনে জাননী দিয়ামতে পথ বহলিকৰণৰ স্বাৰ্থত বেদখলমুক্ত হবনে গড়কাপ্তানি বিভাগৰ মাটি? নে অদৃশ্য শক্তিৰ কৃপাত থমকি ৰব পথ বহলিকৰণৰ কাম তাক লৈয়েই বেছিমাৰীত সৰৱ চৰ্চা হৈছে।

# বৈদ্যগড়ত আছুৰ পৰিৱেশ সজাগতা সপ্তাহ

**ই-সংবাদ, ৰঙিয়া, ১ ডিচেম্বৰঃ** সদৌ অসম ছাত্র সন্থাৰ আহ্বান মৰ্মে বৈদ্যগড় আঞ্চলিক ছাত্র সন্থাৰ উদ্যোগত চাফাই অভিযান, চিত্ৰাংকণ প্রতিযোগিতা অনুষ্ঠিত কৰাৰ পিছত যোৱা ২৯ নৱেম্বৰত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সংগঠনটোৰ সভাপতি মৃদুল কলিতা আৰু সম্পাদক নৱজিত কলিতাৰ তত্বাৱধানত ৰূপায়িত কাৰ্যসূচীৰ অংশ হিচাবে তৰণীস্থিত বৈদ্যগড় আঞ্চলিক ছাত্র সন্থাৰ কাৰ্যালয়ৰ সন্মুখত গছপুলি ৰোপণ কৰা হয়। উক্ত কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক ননীধৰ কলিতা, বৈদ্যগড় হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক কন্দৰ্প শালৈ, বিদ্যাজ্যোতি শিশু নিকেতনৰ প্ৰধান শিক্ষক ভাস্কৰ কলিতাৰ লগতে কিক বক্সিং প্ৰশিক্ষক বিল্লাল আলীয়ে অংশগ্ৰহণ কৰি গছপুলি ৰোপণ কৰে। ইয়াৰ পূৰ্বে সংগঠনটোৰ নেতৃবৃন্দই ফুলাম গামোচাৰে আদৰণি জনাই গছপুলি ৰোপক বৃন্দক।



চেলেংহাটত আছুৰ উদ্যোগত বাটৰ নাট প্ৰদৰ্শন এটি মুহূৰ্ত

# চেলেংহাটত আছুৰ উদ্যোগত বাটৰ নাট প্ৰদৰ্শন

**ই-সংবাদ, মৰিয়নি,১ডিচেম্বৰঃ** সদৌ অসম ছাত্র সন্থাৰ আহ্বানত চেলেংহাট আঞ্চলিক ছাত্র সন্থাই পৰিৱেশ আৰু জলবায়ু সজাগতা সপ্তাহৰ লগত সংহতি ৰাখি সপ্তাহটোৰ বিভিন্ন কাৰ্য্যসূচীৰ লগতে যোৱা ৩০ নৱেম্বৰত মৰিয়নি সমষ্টিৰ অন্তৰ্গত চেলেংহাট ষ্টেচন চাৰিআলিত বাটৰ নাট প্ৰদৰ্শন কৰে। চেলেংহাটৰ কেইজন মান সংস্কৃতিবান যুৱক যুৱতীক লৈ মানস গগৈৰ পৰিকল্পনাৰে "গছ থাকিলে মানুহ থাকিব" বাটৰ নাট প্ৰদৰ্শন কৰা হয়। উক্ত বাটৰ নাট খনত যুৱ অভিনেতা মানস গগৈ, সাংস্কৃতিক কৰ্মী তপন পাত্ৰ, সাংবাদিক তথা অভিনেতা দেৱবিকাশ দত্ত আৰু নৱাগত অভিনেত্ৰী নম্ৰতা শইকীয়াই অভিনয় কৰে। চেলেংহাট আঞ্চলিক ছাত্র সন্থাৰ এই প্ৰচেষ্টাক স্থানীয় ৰাইজে শলাগ লোৱাৰ লগতে বাটৰ নাটত অভিনয় কৰা শিল্পীসকলক ভূয়সী প্ৰশংসা কৰে।

# মৰিগাঁৱত জিলা স্বাস্থ্য সমিতিৰ বিশ্ব এইচড দিৱস পালন

**ই-সংবাদ, মৰিগাঁও,১ ডিচেম্বৰ:** অসম ৰাজ্যিক এইচড নিয়ন্ত্ৰণ সমিতি,মৰিগাঁও জিলা স্বাস্থ্য সমিতি আৰু মহিলা মেহফিল, মৰিগাঁৱৰ যৌথ উদ্যোগত আজি বিশ্ব এইচড দিৱস পালন কৰা হয়। মহিলা মেহফিল, মৰিগাঁৱৰ কাৰ্যালয়ত ইয়াৰ উপলক্ষে দুপৰীয়াৰ ভাগত "Take the Right Path-My Health My Right" শীৰ্ষক এখনি সজাগতা সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি ড° বিৰিঞ্চি কুমাৰ শৰ্মাৰ সভাপতিত্বত হোৱা এই সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া,জিলা এইচড বিষয়া ডা° অমৰজ্যোতি ডেকা,মহিলা মেহফিল মৰিগাঁৱৰ সচিব ওৱাহিদা ৰহমান আৰু সমাজ সেৱিকা জান্তি পাটগিৰিয়ে গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। এই সভাত নাইটিংগেল ইনষ্টিটিউট অৱ নাৰ্চিঙৰ বিষয়ববীয়া জয়ন্ত ভৰালী, সমাজ কৰ্মী অলিৰাধা ভাগৱতী,বনশ্ৰী গোস্বামী, যুৱ সাংবাদিক মৃদু কলিতা, দিপাংকৰ নাথকে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে। উল্লেখ্য যে,পুৱাৰ ভাগত উক্ত বিষয়বস্তু সন্দৰ্ভত এক সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰা মুকলি কৰে জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডা° অৰুণ কুমাৰ নাথে।

# বিশিষ্ট সমাজ কৰ্মী মাধৱ চন্দ্ৰ নাথৰ মৃত্যু

**ই-সংবাদ, গুৱালকুছি, ১ ডিচেম্বৰঃ** কামৰূপ জিলাৰ গন্ধমৌ অঞ্চলৰ এগৰাকী বিশিষ্ট সমাজ কৰ্মী তথা অসম ৰাজ্যিক বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মাধৱ চন্দ্ৰ নাথৰ স্বাস্থ্যজনিত কাৰণত চিকিৎসাধীন অৱস্থাত ৩০ নৱেম্বৰ সন্ধিয়া প্ৰায় ৫ বজাত ৭৬ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। পূৱ বংশৰ অঞ্চলৰ গন্ধমৌ গাওঁৰ নিবাসী বিশিষ্ট গ্ৰাম্য সমাজ সাধক, গন্ধমৌ নাথচুবুৰী বৰখেল ৰাইজ গয়ৰহৰ কেইবাটাও বৰ্ষৰ সভাপতি, গন্ধমৌ আদৰ্শ গাওঁ সভা সমিতিৰ প্ৰাক্তন সভাপতি, গন্ধমৌ বিষ্ণুৰাভা সোঁৱৰণী সংঘ আৰু পুথিভঁৰালৰ আমৃত্যু উপদেষ্টা, সদৌ বংশৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সম্পাদক, শম্ভুৰাম দাস ট্ৰাইবেল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক, গন্ধমৌ ট্ৰাইবেল প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ নিঃস্বাৰ্থভাৱে সামাজিকভাৱে সক্ৰিয় আছিল। বিশিষ্ট সমাজ কৰ্মীগৰাকীৰ মৃত্যুৰ খবৰৰ বিয়পি পৰাৰ লগে লগে নিজ বাসগৃহত অগণন গুণমুগ্ধ উপস্থিত হৈ শেষ শ্ৰদ্ধা জনায়। তেওঁৰ শুভাকাংক্ষী তথা গুণমুগ্ধই তেওঁৰ নশ্বৰ দেহ শোভাযাত্ৰাৰে অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠানলৈ নি শেষ শ্ৰদ্ধা জনায়। সমাজ কৰ্মীগৰাকীৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ, বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীকসহ বহুতকে ইহ-সংসাৰত এৰি থৈ যায়।

# ওদালগুৰি প্ৰীমিয়াৰ লীগত চেম্পিয়ন থাণ্ডাৰ ষ্ট্ৰাইকাৰ




**ই-সংবাদ, ওদালগুৰি, ১ ডিচেম্বৰঃ** ওদালগুৰি ইউপিএল খেল পৰিচালনা সমিতিৰ উদ্যোগত দ্বিতীয় সংস্কৰণৰ এম.এম কনষ্ট্ৰাকছন ওদালগুৰি প্ৰীমিয়াৰ লীগ ২০২৪ৰ আজি চূড়ান্ত খেলখন অনুষ্ঠিত হৈ যায়। ইউনাইটেড ইয়ুথ ক্লাৱ বনাম থাণ্ডাৰ ষ্ট্ৰাইকাৰৰ মাজত অনুষ্ঠিত চূড়ান্ত খেলখনত থাণ্ডাৰে ন ইউকেটত জয়ী হৈ প্ৰতিযোগিতাখনিত চেম্পিয়নৰ খিতাপ দখল কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে ইউনাইটেডে ১৬.৫ অভাৰত আঠাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১০৯ ৰাণ কৰিবলৈ সক্ষম হয়। থাণ্ডাৰৰ সঞ্জয় সিঙে চাৰিটা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি থাণ্ডাৰে অতি সহজে ১৩.৫ অভাৰত এটা উইকেট পতনেৰে জয়ৰ লক্ষ্যত উপনীত হয়। আজিৰ চূড়ান্ত খেলখন উদ্বোধন কৰে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। উদ্বোধনী ভাষণত তেখেতে ইউপিএল সমিতিৰ এনে প্ৰচেষ্টাক শলাগ লৈ আগন্তুক দিনতো এনে ধৰণৰ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ওদালগুৰিৰ প্ৰাক্তন খেলুৱৈ, সংবাদদাতা দিলীপ বৰুৱাক সম্বৰ্দ্ধনা জনোৱা হয়। উদ্বোধনী অনুষ্ঠানত সমাজকৰ্মী মিনন মোছাহাৰীৰ লগতে বহু বিশিষ্ট লোক উপস্থিত থাকে। আজিৰ খেলৰ বিজয়ী দলক ট্ৰফীসহ নগদ ৬০ হাজাৰ টকা প্ৰদান কৰে বিটিচিৰ কাৰ্যবাহী সদস্য সঞ্জিৎ তাঁতীয়ে। লগতে ৰাণাৰ্চ আপ দলক ট্ৰফীসহ নগদ ৩০ হাজাৰ টকা প্ৰদান কৰা হয়। আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে থাণ্ডাৰৰ সঞ্জয় সিঙে, প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে ইউনাইটেডৰ সঞ্জিৱ বৰ্মণে, শ্ৰেষ্ঠ বেটিঙৰ সন্মান লাভ কৰে পূৱনগৰৰ গৌৰৱ প্ৰসাদে, শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰে থাণ্ডাৰৰ সুনীল আখটাৰে, শ্ৰেষ্ঠ ফিল্ডাৰৰ সন্মান লাভ কৰে থাণ্ডাৰৰ সৌৰৱ মৌচম দিহিঙিয়াই।




২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবলৰ এটি মুহূৰ্ত, দেওবাৰে

## ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবলৰ ফাইনেল

# খিতাপৰ যুঁজত আজি কটহগুৰি-ফেলকন এফচি

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ১ ডিচেম্বৰঃ** কাৰ্বি আংলং জিলাৰ লাংহিনৰ গৰৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত সামৰণিৰ দিশে আগবঢ়া ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলখনত নগাঁৰৰ ৰহাৰ কটহগুৰি এফ চিয়ে হোজাইৰ ঠাবাল এফ চিৰ বিৰুদ্ধে চূড়ান্ত খিতাপ লাভৰ যুঁজত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ ইতিপূৰ্বে অনুষ্ঠিত ছেমিফাইনেলত ঠাবাল এফ চিয়ে লাংহিনৰ ৰংজালু ক্লাবক ১-০ গ'লত আৰু কটহগুৰি এফ চিয়ে পশ্চিম কাৰ্বি আংলঙৰ খেৰনীৰ ফেলকন এফ চিক ২-১ গ'লত হৰুৱাই ফাইনেলত উপনীত হৈছে। লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ বিষয়ববীয়া ৰত্নাকৰ স্বৰ্গীয়াৰী, নাৰায়ণ বসুমতাৰী আৰু টংকেশ্বৰ খাখলাৰীৰ লগতে বড়ো শ্বহীদ ন্যাসৰ সভাপতি শান্তনু বসুমতাৰী আৰু সম্পাদক কিৰণ বসুমতাৰীয়ে জনোৱামতে, কাইলৈ বিয়লি এক বজাত অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলখনত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিলিমোহন খাখলাৰী আৰু জিলা ক্ৰীড়া বিষয়া ৱিলীপ ৰংহাঙৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকিব।

# কোৱাৰ্টাৰত ইণ্টাৰ নৰ্থ ইষ্ট এফচি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১ ডিচেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাত মৰিগাঁৱৰ ইণ্টাৰ নৰ্থ ইষ্ট এফ চিয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সম্প্ৰতি আকৰ্ষণীয় পৰ্যায়ত উপনীত হোৱা এই প্ৰতিযোগিতাৰ আজিৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলত ইণ্টাৰ নৰ্থ ইষ্ট এফ চিয়ে শ্বিলঙৰ পি এফ আৰ এফ চিক ৩-১ গ'লত পৰাজিত কৰে। আজি খেলখনৰ আৰম্ভণিৰ পৰাই দুয়োটা দলে আক্ৰমণাত্মকভাৱে খেলি দৰ্শকক মুগ্ধ কৰে। খেলখনত ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰহৈ ডেভিদ লাইচৰাম ( ২৩ মিনিট ), গাংগুলী ৰাহেংগাম ( ৩৬ মিনিট ) আৰু বাংগুৱা এইচৰামে ( ৮৫ মিনিট ) ক্ৰমে গ'লকেইটা দিয়াৰ বিপৰীতে পি এফ আৰ এফ চিৰহৈ গেৰী চিয়েমে ( ২৬ মিনিট ) একমাত্ৰ গ'লটো দিয়ে। ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰ ডেভিদে প্ৰথমটো গ'ল একক প্ৰচেষ্টাৰে দিয়াৰ বিপৰীতে গাংগুলীয়ে দ্বিতীয়টো গ'ল সতীৰ্থ হৰিদাসে মিড ফিল্ডৰ পৰা বিপক্ষৰ বক্সত উলিয়াই দিয়া বল ক্ষিপ্ৰতাৰে আয়ত্তলৈ আনি গ'ললৈ কাৰ্যকৰী কৰে আৰু তৃতীয়টো গ'ল সতীৰ্থ সুৰেশে বিপক্ষৰ গ'লমুখত কৰ্ণাৰৰ পৰা দিয়া বল বাংগুৱাই দৰ্শনীয় হেডিঙেৰে দিবলৈ সক্ষম হয়। আনহাতে, পি এফ আৰ এফ চিৰহৈ সুযোগ সন্ধানী গেৰীয়ে গ'লটো বিপক্ষৰ ৰক্ষণবিভাগৰ ভুল বুজা-বুজিৰ বাবেই দিয়ে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে নিৰ্মল ভট্টাচাৰ্যী, ৰূপম বৰদলৈ আৰু আব্দুল মজিদ চৌধুৰী ( চতুৰ্থ ) য়ে। আজিৰ খেলৰ আৰম্ভণিতে প্ৰাক্তন খেলুৱৈ তথা কপাহেৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি হেৰম্ব প্ৰসাদ ডেকা (বাবা) ক সম্বৰ্ধনা জনোৱাৰ লগতে খেলুৱৈসকলৰ সৈতে চিনাকি কৰি দিয়া হয়। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস আৰু ফুটবল শাখাৰ সম্পাদক প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্যৰ লগতে আয়োজক সমিতিৰ অন্যতম বিষয়ববীয়া উজ্জল বৰুৱা, অসীম কুমাৰ ভাৰাল, দেৱজিৎ দাস, প্ৰচাৰ উপ সমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জানিবলৈ দিয়ামতে, কাইলৈ কোৱাৰ্টাৰ ফাইনেল খেলত গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্প'ৰ্টছ ক্লাৱে গোসাইগাঁৱৰ গ্ল'বেল এফ চিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি